# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkota (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

[illegible]

# সূচী


| বিষয় | পৃষ্ঠা |
| --- | --- |
| সম্পাদকের চর্চা | ৪৪৯ |
| প্রসঙ্গ-প্রসঙ্গ | ৪৬৭ |
| গোপাল আর গোপীনাথ | ৪৭০ |
| পূর্ব আর পশ্চিম | ৪৭৮ |
| আমার প্রণাম | ৪৭৯ |
| প্রতিধ্বনি | ৪৯০ |
| তত্ত্বালোচনার পরিশিষ্ট | ৫০৬ |
| চলু মন্তব্য | ৫১১ |
| কিমি উপাড় | ৫১২ |

# সম্পাদকৰ চৰা।

"শ্ৰীতাৰ্কনাথ গোস্বামী" চহিৰে এজন মহন্তই "হিন্দু ধৰ্ম্ম ও জাতি" নামৰে এটা প্ৰবন্ধ বাঁহীত ছপা কৰিবলৈ পঠিয়াই আমাক লেখিছে, যে প্ৰবন্ধটো শুধৰাই লৈ বাঁহীত ছপা কৰিব লাগে। আমি তেওঁৰ লেখাখন পঢ়ি চাই দেখিলোঁ যে তাক শুধৰাবলৈ গলে, তাৰ শিপা পৰ্য্যন্ত উঘালিব লাগিব, সি এনে ভাৱে ৰচিত। মহন্তজনে প্ৰায় প্ৰত্যেক কথাতে একোটা ভুল ইংৰাজী প্ৰতিশব্দ লগাই দিয় লেখিছে তাৰ মানে আমি একো বিচাৰি নেপাই ভাবিবলৈ বাধ্য হৈছোঁ যে তেওঁৰ যি অলপ ইংৰাজী ভাষা-জ্ঞান আছে সেইটো লোকৰ আগত "জাহিৰ" কৰিবৰ বৰ মন গৈছে কিজানি। চুটিতে কওঁ, গালিক শুধৰালেও সি গালি হৈয়ে থাকিব; কিয়নো, কাউৰীক ধুৱাই কোনেও ৰাজহাঁহ কৰিব নোৱাৰে। সেইদেখি তেওঁৰ গোটে-ইটো প্ৰবন্ধ ছপাব নোৱাৰি তাৰ আগছোৱাৰ বিষয়ে দুটা-কি-এটা কথা চুটিতে আমি কৈ, শেহৰ ডোখৰ ইয়াত তুলি দি তাৰ বিষয়ে দুই চাৰি আখৰ কম লাগোন।

* * *

মহন্তজনে মনুৰপৰা আৰু আন আন ধৰ্ম্মশাস্ত্ৰৰপৰা দুই চাৰিটা শ্লোক তুলি দি, চাৰি জাতিৰ জন্মগত পাৰ্থক্য আৰু কাৰ্য্যৰ পোষকতা কৰি কৈছে যে বাঁহীয়ে জাতিভেদ ভাঙি দি মানুহক একাকাৰ কৰিবলৈ গৈছে। আমি উক্তকৈ কওঁ, তেওঁ বাঁহীক সমূলী ভুল বুজিছে। যদিও আজিকালি কিছু লো-মুখাৰে দি থকা জাতিভেদৰ ভাৱনাটো ভাগি গলে বাঁহীয়ে ভাল পায়, কিন্তু তেনে কাৰ্য্য বাঁহীয়ে নিজে কৰিবলৈ যোৱা নাই। বাঁহীয়ে, [illegible] জাতিভেদৰ [illegible] অনিষ্টকাৰী [illegible] [illegible] [illegible] এটা [illegible] অসমীয়া জাতিৰ নাম-যশ [illegible]

হে লোকক কৈছে, যত সকলোৱে বহি একে লগে ঈশ্বৰৰ নাম লৈ তেওঁৰ প্ৰিয় কাৰ্য্য সাধন কৰিব পাৰে; আন্ একো নহয়। বাঁহীয়ে "পোৰা মুঠানগিৰি" কৰিবলৈ নাই যোৱা আৰু নেযায়ও। বাঁহীয়ে কৈছে যে, পুৰণি কালত আৱশ্যকীয় জাতিভেদ এতিয়া অনাৱশ্যকীয় হৈ পৰিছে, আৰু সি যি ধৰণত আছে, সি কামত নহয়,—কাৰণ কামত হোৱাহেঁতেন নহয় সি থাককেই—নামত হে; সি ফোঁপোলা আৰু অন্তঃসাৰশূন্য হৈ পৰিছে; তাৰ সাহ নাই, বাহটো হে আছে। সৌৱা চোৱাঁ, সি চৰণ-পৰা মানুহৰ নিচিনাকৈ থিয় হৈ আছে মাথোন, কিন্তু তাৰ গাত আগৰ প্ৰাণ নাই; তাক তোমাৰ আঙ্গুলিৰ আগেৰে চুই দিয়াচোন, নিশ্চয় দেখিবা সি কাতি হৈ পৰিব। অথচ আজিকালিৰ দিনত তাক পুনৰ্জ্জীৱন দিবও নোৱাৰা; কাৰণ তাত প্ৰাণ একেবাৰেই নাই। এতেকে আমাৰ বৰ্ত্তমান কালোপযোগী কৰি ডাঙৰকৈ বহলকৈ সকলোলৈকে জোৰাকৈ জাতীয় সমাজ গঢ়িবলৈ চেষ্টা কৰাঁ, নতুবা তোমালোক নিৰ্ম্মূল হবৰ সম্ভৱ; এই মাত্ৰ।

* * *

বাঁহীয়ে দেখিছে, যে আগৰ চতুৰ্ব্বৰ্ণৰ সেই পবিত্ৰ পুৰণি জাত আজি কালিৰ নাম মাত্ৰ চতুৰ্ব্বৰ্ণৰ গাত নাইকিয়া হল। বামুণে গোটেই পৃথিবীৰ ক্ষমতাশালী নানা ধৰমৰ নানা জাতিৰ মানুহেৰে সৈতে একেখন অভিনৱ-সংগ্ৰামত পৰি সৰু-জাহ দি বুজিও জাত ৰাখিব পৰা নাই। তেওঁ বেদ পাঠ সন্ধ্যা পূজা কৰি জীৱন কটাব নোৱাৰি ম্লেচ্ছৰ গোলামী কৰিছে, নাইবা ভাত-ৰান্ধনি হৈছে, নাইবা (কবলৈ দুখ লাগে) জোতাৰ দোকানো দিছে, নাইবা গৰুৰ গাৰী চলাইছে; আৰু তেওঁ দেৱভাষা সংস্কৃত পঢ়ি পণ্ডিত হৈ সন্ধ্যা গায়ত্ৰী মাতক বা তাৰ অংশ বুজক ছাৰি, বৰ কুঠাৰ মানিলেও তেওঁৰ বুকুৰপৰা ক আখৰ এটা নোলোৱা হৈছে। ক্ষত্ৰিয়ই গো ব্ৰাহ্মণৰ আৰু ধৰ্ম্মৰ ৰক্ষক হৈ যুদ্ধ কৰা দূৰৈত থাকক দৰোৱানী, বেহেৰাগিৰি, দওৱালি কৰিছে। বৈশ্যই বেহা-বেপাৰ এৰি কাকতী, কেৰাণী আৰু মহৰ হৰ লগীয়াত পৰিছে। শূদ্ৰই স্বকাৰ্য্য—বামুণকে আদি কৰি তিনি জাতৰ পৰ সেৱা পৰিত্যাগ কৰিছে আৰু কোনো কোনোৱে "গোস্বামী" উপাধি লৈ



মনুৰ অধিকাৰ হৈ স্মৃতিৰ বচন মাতি লোকক জাতৰ আৰু ধৰ্ম্মৰ ব্যৱস্থা দিছে; এনে স্থলত কোনোৱে মনুৰ শ্লোক মাতি আমাৰ চতুৰ্ব্বৰ্ণ চাৰি জাত চাৰি জাত কৰি চিয়ঁৰা দেখিলে হাঁহিও উঠে বেজাৰো লাগে! বাঁহীয়ে সোধে,—অহিন্দু জাতিয়ে বেচা বজাৰৰ লোণ, তেল, ঘিউ, মাহ হিন্দুৱে খাই, আৰু পানীৰ কলৰ "পাইপৰ" মুখৰ ভিতৰত থকা গৰুৰ ছালেদি বৈ অহা কলৰ পানী খাই, ভাতৰ মাৰ দিয়া ধোবাৰ কাপোৰ পিন্ধি, কোন নৈষ্ঠিক বামুণ, কায়স্থ, মহন্তই জাত ৰাখিছে কওক? য়ুৰোপীয় বজাৰ বাগৰত থাকি উঠোঁতে বহোঁতে খাওঁতে শোওঁতে সকলো বিলাতী বিদেশী বস্তুৰে ঘনিষ্ঠতা ৰাখি, কলৰ পানী, কলৰ চেনি, "চৰ্ব্বি" অৰ্থাৎ গৰু গাহৰিৰ তেল মিহলোৱা ঘিউ, জাহাজৰ মুচলমান খালাচীয়ে বহি ভাতৰ কাঁহী চুলি দৈ ভাত খোৱা বতাৰ মাহ চাউল খাই, গাহৰিৰ তেলৰ মম-বাতি জ্বলাই, কোনজন নিষ্ঠাবান হিন্দু পুৰুষে স্মৃতি শাস্ত্ৰৰ বিধানমতে তেওঁৰ সনাতন জাত ৰাখিছে বাঁহীয়ে সোধে? সেইদেখি বাঁহীয়ে কয় যে যদি জাতৰ গতি এনেহে হল, তেন্তে মিছাতে গেলা গপ মাৰি থাকিবৰ সকাম কি? শ্ৰীযুক্ত তীৰ্থনাথ গোস্বামী ব্ৰাহ্মণ নে শূদ্ৰ বাঁহীয়ে কব নোৱাৰে, কিন্তু তেওঁ যদি শূদ্ৰ মহন্ত হে, তেন্তে তেওঁ আওবোৱা আৰু ওলমা স্মৃতি শাস্ত্ৰই তেওঁ গোস্বামী উপাধি লোৱা বাবে তেওঁক চুপুৰ কৰে পেলাই দি যে তেওঁৰ কথাৰ জোৱা লবাৰৰ খুব সম্ভৱ সেইটো হলে বাঁহীয়ে নিঃসন্দেহে কব পাৰে।

* * *

কলিত জাতৰ দুৰ্দ্দশা এনে। দূৰদৰ্শী মহাত্মা ঋষি শাস্ত্ৰকাৰসকলে সেইদেখি এইবোৰ জানি শুনিয়েই কলিত চতুৰ্ব্বৰ্ণ একাকাৰ হব বুলি কৈ গৈছে। আন নেলাগে ভাগৱতৰ দ্বাদশ স্কন্ধৰ পদবোৰ পঢ়িলেই কলিত কি কি হব, সেই ভবিষ্যদ্বাণী কলিৰা আমাৰ গোস্বামী মহাশয়ে দেখিব। কলিৰ যুগ ধৰ্ম্ম নিৰ্ণয় কৰোঁতা মহাপুৰুষসকলৰ বাক্য মিছা হব লাগে বুলি শ্ৰীযুক্ত তীৰ্থনাথ গোস্বামীয়ে কয় নে? যদি নালাগে, আৰু হব নোৱাৰে, তেন্তে আমি যুগ ধৰ্ম্মৰ ফলত যেনে কৰদ্বাত পৰিছোঁ তেনে অৱস্থাত, গল-বস্ত্ৰ-ছন্দ-হোৱা, ভগা, কুটা, কটা, বুৰা নাৱত থৰি থাকি ভৱ-সাগৰ পাৰ

হবলৈ গৈ সমূলী বুৰি মৰাতকৈ, কলিযুগৰ উপযোগী সহজ সুচল আৰু সকলো নৌযানৰ ৰজা মাত্ৰ হৰিনামৰূপী ড্ৰেড্‌নট্‌ জাহাজত ( dread-naught ) আশ্ৰয় লোৱা ভাল নহয় জানো ? আমি তোমাক তোমাৰ জাত মাৰিবলৈ কোৱা নাই ; কিন্তু তোমাৰ জাত যে ঋষি মুনি মহাপুৰুষ সকলৰ ভবিষ্যদ্বাণী ফলিয়াই এনেই একানৰপৰা মৰি আহিব লাগিছে, মৰা জাতৰ শৱটো আগত লৈ কান্দি থাকি তুমিও মৰি যোৱা ভাল নে, নাই সেই শৱটোৰ সৎকাৰ কৰি গা পা ধুই, অৱস্থা আৰু কাল অনুযায়ী মহাপুৰুষসকলে দিহা উপায় অৱলম্বন কৰি তুমি জীয়াই থাকিবলৈ চেষ্টা কৰা ভাল ? যাতে এনে কলিতো লোক সমূলী বিনাশ প্ৰাপ্ত নহৈ উদ্ধাৰ পাব পাৰে তাৰ নিমিত্তে সেইদেখি গীতা ভাগৱতে, ভাগৱতৰ পদ কৰ্ত্তা মহাপুৰুষ শঙ্কৰদেৱে আৰু ঘোষা প্ৰণেতা মাধৱদেৱে ব্যৱস্থা কৰিছে ;—সেই ব্যৱস্থা, মই বামুণ তুমি শূদিৰ এতেকে ছেই ছেই, আৰু মই পূজা সন্ধ্যা কৰোঁ তুমি নকৰা বা কৰিব নোৱাৰা এতেকে ছেই ছেই, আৰু মই শুদ্ধ তুমি অশুদ্ধ এতেকে ছেই ছেই, এনে ব্যৱস্থা নহয় ; সেই ব্যৱস্থা সকলোৰে প্ৰতি সমভাৱ, আৰু সকলোকে সমান অধিকাৰ প্ৰদান ; সেই অধিকাৰ হৰিনাম শ্ৰৱণ কীৰ্ত্তন, ঈশ্বৰ ভজনা, ঈশ্বৰ সেৱা আৰু ঈশ্বৰত ভক্তি আৰু ফলত মুক্তি ; সেই ব্যৱস্থা জাতৰ মৰা কপিলীগৰুৰ নেজত ধৰি হেলোঁহৈচোঁ কৰি থকাটো নহয় নিশ্চয়। তেওঁলোকে জানিছিল, যে দুষ্ট লোকৰ-হাতত কলিত বামুণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰৰ জাত নিটিকে, এতেকে জাতি বৰ্ণৰ বিশেষ অধিকাৰযুক্ত কাৰ্য্যকলাপ অনাৱশ্যক, অসাৰ, আৰু পণ্ড। কিন্তু মহাপুৰুষসকলে সেই বুলি জাতিভেদ ভাঙিবলৈ যোৱা নাই, আৰু বাহীয়েও ভাঙিবলৈ যোৱা নাই ; তাক ভাঙিছে দুষ্ট কলিয়ে, কাৰ্য্যত ব্যৱহাৰতে সি ভাগি গৈছে, কলিৰ কোনো কোনো মতেই সি নিটিকে দেখি, মহাপুৰুষসকলে যেনে লোক তেনে বেশ ব্যৱস্থা কৰিছে, আৰু বাহীয়েও সেই মহাপুৰুষসকলৰ ব্যৱস্থাকেহে মাথোন তোমাক সোৱঁৰাই দিছে, এই কেৱাই কথাৰ কিটিপ [illegible]

* * *

শ্ৰীযুত তীৰ্থনাথ গোস্বামীৰ প্ৰবন্ধৰ শেহভাগৰ—

"৬ মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰ গুৰুৱে প্ৰচাৰিত নিৰ্মল মহাপুৰুষীয়া ধৰ্ম্ম যদি



গোঁসাঞী সকলে নেপালে "এই খিনিতে শুধিব লগীয়া হল" তেনেহলে পালেনো কোনে ? যদি মহাপুৰুষীয়া ধৰ্ম্ম পেৰাৰ খোলনিৰ তলত থাকিল তেনে হলে নো কিহৰ উপৰত মহন্ত সকলে গুৰুনাম লৈ শৰণ ভজন শিষ্যক দি জীৱতৰণৰ উপায় কৰিছে ? শিষ্যৰ উপৰি ১১।১৪ পুৰুষ বিনাকেনো কিহক ধৰ্ম্ম বুলি ধৰি মৰি গল ? সেই বোলে মহন্ত সকলৰ মুখে ধৰ্ম্ম লৈ পৰকালত স্বৰ্গ পালে বুলি বিশ্বাস কৰেনে "নৰক" বুলি ?

"মহাপুৰুষৰ ধৰ্ম্ম একেবাৰেই উঠি গল, বা পেৰাৰ খোলণিৰ তলত পৰিল বুলি ব্ৰাহ্মণ শূদ্ৰাদি মহন্ত সকলক ইমানতে পদচ্যুত কৰি খেদাই দিব খোজেনে ? মহাপুৰুষীয়া ধৰ্ম্মত অধিকাৰ সকলো তত্ত্ব বুজা "পেৰৰে উপৰ দাপতে ধৰ্ম্ম ৰাখি" পৰকালৰ গতি দাতা জাতি ভেদ কৰিব নেখোজা কেওনেইনে কি ? "এইচ্যা ৰাত মত্ কহ ভাই" মহাপুৰুষীয়া ধৰ্ম্মকে গোঁসাঞী সকলে বিলাই দি জগতত চন্দ্ৰ, সূৰ্য্যৰ দৰে জিলিকাই, শিষ্য গুৰুৰ দৃঢ় সম্বন্ধও বিনা ভাবিবে বান্ধি থাই, উত্তমৰ পৰা অধমণকে দাসত্ব স্বীকাৰ কৰিছে, তেনেস্থলে এনে কথা কোৱা জন কি কংস ৰজা ওলাই কল্পবীৰৰ ভাও দিছেহি !

"ধনে কিনা ভকতি বুলি বোধ কৰো জানে (ধনাৎ ধৰ্ম্ম ততঃপৰং) হৰি ভকতিৰ, পাতিলন্ত হাট, শঙ্কৰে জগত জুৰি। ৰাম নাম বস্তু, বেহায়া জগতে চলয় বৈকুণ্ঠ পুৰি। হৰি ভক্তিৰ হাট পাতি, মহন্ত সকলক দোকানি পাতি "ৰামনাম বস্তু" জগতকে বেচিবলৈ শঙ্কৰে দি যোৱা নাই জানো ? তাকে বেচি কিনি নেখাইনো হাল বাব লাগেনে ? ৰামনাম দি বেনিৰা জীৱটো কিনিলে তেনে নো খায় কি ? ধৰ্ম্মৰ হতুকে ওৰে ৰাতি পাল নাম গোৱাই ৰাতি পুৱা থাপনা সেউৱা বা সন্ধ্যা সেউৱা কৰিব লগাত অৰিহণা স্বৰূপ কিবা প্ৰয়োজন যে, এই কথাটো বোধ কৰো সকলোৱে জানে। তেনে হলে মহন্ত সকলৰ মুখে ধৰ্ম্ম শিক্ষা লবলৈ হলেটো, তাৰ দক্ষিণা স্বৰূপ, আৰু সেউৱাৰ অৰ্থে অৰিহনা লগিবই। তাৰ লগতে গুৰুৰ জিবীকাৰৰ অৰ্থে একেবি বস্তু দিব লগা হয়েই। তাকে ধন কটা কল, হল বুলি চকুৰ পোৰণিত তত নায়। নূতন খিতাপি সকলে হেট লগাই নানা তৰহেৰে যেঁকৰ ওপৰত থানা বুলিয়েই থাওক, বাগী, ঘোড়া, বাইচাৰ কোল, মটৰ

কার্ত্ত ইত্যাদিত কৃৰক, তালৈ চকু কাৰো নপৰে। সকলোৰে নমস্ত সৎ মহন্ত সকলে ঘোড়াত জীন, হাতীত হাউদা, ৰৰ ঘৰৰ ভিতৰত এটোপা গৰুৰ গাখীৰ, এটা সোন্দাকল, এটা বান বাত্তিত খোৱাতে, গুৰুৰ প্ৰতি শ্ৰদ্ধান্বিত্ সেৱক সকলৰ বুকট সাত কুৰা অগ্নি জ্বলি দেই পুদি মাৰিব লাগিছে।

"যাক উপৰ পুৰুষ বিজ্ঞ. সদাশয় মহাত্মন বৈষ্ণৱ সকলে শিষ্য গুৰুৰ অচেদ অভেদ সম্বন্ধত থাকি মৰিও সদ্‌গতি Prosper নভিলে গৈ। এতিয়া সেই বাপৰ সেই পুত্ৰ হৈ মহন্ত সকলে মহাপুৰুষীয়া ধৰ্ম্ম পোৱা নাই বুলি প্ৰকাশ কৰাতটো সেই বাপৰ সেই পুত্ৰ ন'হৈ জাৰজ Illegitimate বুজুৱাটো যেন হে লাগে।

"মোৰ ভকতৰ সথী ন লবা বিচাৰ।
ব্ৰাহ্মণে চণ্ডালে সবে হৈবে একাকাৰ॥
হৰিৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণ জন্ম তাৰ লাগে কিক॥
কুকুৰ খায় যেন ম্লেচ্ছ গণে।
সিয়ো শুদ্ধ হোৱে হৰি কীৰ্ত্তনে॥

"মহাপুৰুষীয় সম্প্ৰদাৰ পুথিত এনেকুৱা অনেক পদ আছে, কিন্তু এই পদে বামুনে চণ্ডালে একে জাত হবলৈ কোৱা নহয়। ভক্তিৰ বলত বামুণ যিমান ঈশ্বৰৰ মৰমৰ পাত্ৰ হয়, চাণ্ডালো তেনে পাত্ৰ। হৰিত ভকতি কৰি পৰ কালত গতি পাবলৈ চণ্ডালেই শ্ৰেষ্ঠ, ব্ৰাহ্মণ জন্ম ধৰিব নেলাগে। আন কি কুকুৰ গাহৰী, খোৱা ম্লেচ্ছ জাতিও হৰি কীৰ্ত্তন কৰি তৰিব পাৰে। মহাপুৰুষীয়া ধৰ্ম্মও জাতি বিভাগ নকৰি বামুণে চণ্ডালৰ লগত খাবলৈ কোৱা হেতেন ৺মাধৱদেৱে এই ফাকি ঘোষা নকৰিলে হেতেন। যেনে—
অন্ন যোণি কিছু, নকৰে বিচাৰ, জাতিকুল হৈল ভ্ৰষ্ট। বৈষ্ণৱৰ বেশ, ধৰিয়া ফুৰয়, জাতি কুল কৰি নষ্ট॥ জাতিকুল নেৰিবলৈ মহাপুৰুষীয়া ধৰ্ম্মে কোৱা এই ঘোষা ফাকিয়ে ইয়াৰ সম্পূৰ্ণ প্ৰমাণ কৰিছে।

"মাংহি পাৰ্থ ব্যাপশ্ৰিত্য যে পিস্যুঃ পাপ যোণয়োঃ।
স্ত্ৰীয়া বৈশ্যা স্তথা শূদ্ৰাস্তে পিৰ্য্যান্তি পৰাং গতিং॥



"স্ত্ৰী শূদ্ৰাৰ্দ্দি চণ্ডাল পৰ্য্যন্ত অনেক জাতিয়ে হৰিত ভকতি কৰি পৰকালত গতি পায়। একে জাতি হবলৈ কোৱা নায়।

"দশ অৱতাৰৰ এক অৱতাৰ "বাৰাহ" হেনো গাহৰী; এতেকে গাহৰী এটাই ৰোৱ শুদ্ধ হল নে?

"ব্যাস নাগে হৈলা সত্যাৱতীৰ সন্ততি।
দেখিলাহা প্ৰজা হৈলা অতি অল্প মতি॥
কৰিলা অনেক শাখা চাৰিয়ো বেদৰ।
পুৰাণ ভাৰত শাস্ত্ৰ নিৰ্ম্মিলা বিস্তৰ॥

"ব্যাস মুনি ২৪ অৱতাৰৰ এক অৱতাৰ। ঈশ্বৰাংশ ব্যাসে ভাৰত, পুৰাণ ভাগৱত ৰচনা কৰি হীন জাতিৰ পৰা ব্ৰাহ্মণৰ অগ্ৰগনি হল। ঈশ্বৰ যতেই জন্ম হক তথা পবিত্ৰ ইয়াত ভুল নায়। এনে ৰোৱ ঈশ্বৰাংশ যি তাতেইহে খাটে আনকো তাৰে বাগি ধৰি চৌত্ৰিশ জাতি একে হবলৈ কোৱা নাই।"

* * *

উত্তৰত কওঁ যে শ্ৰীশঙ্কৰ প্ৰচাৰিত ধৰ্ম্ম প্ৰকৃত গোসাঁই সকলে পাইছিল; আজিকালি সৰহভাগ গোসাঁই নামধাৰী ভণ্ড বিষয়ী মহন্তই নাই পোৱা, এইটো বাহীয়ে "উৰ্দ্ধবাহ হৈ অঙ্গীকাৰ কৰি" কব পাৰে। এওঁলোকে দেশাচাৰৰ চলিত আইন মতে আগৰ প্ৰকৃত গোসাঁইসকলৰপৰা অহা সেই ধৰ্ম্মস্বত্বৰ উত্তৰাধিকাৰী হৈছিল আৰু হৈছে যদিও, তাৰ অপব্যৱহাৰ কৰি তাক উৰাই দেউলীয়া ফটুৱা হে হৈছে মাথোন; এতিয়া এওঁলোকৰ পেৰাৰ খোলনিত টকা শিকা পইচা হে ওলাব, মহাপুৰুষৰ নামধৰ্ম্ম নোলায়, এইটো শুনিবলৈ টান হলেও খাতাং কথা। এনে মহন্তসকলে গুৰু নাম লৈ সোপাসোপে শিচ ভজাই সোপাসোপে মৰি গৈলি পচি যাব পাৰে, কিন্তু এওঁলোকে শিচেৰে সৈতে যে বৈকুণ্ঠ পোৱাগৈ নাই, যমৰ দক্ষিণ দুৱাৰ হে পাইছে, এই কথা আমাক আমাৰ হৃদয়ত থকা হৰি ভগৱন্তই কৈছে। আমাৰ কথা কংসৰজাৰ কথাৰে বা কল্পবীৰৰ কথাৰে নিমিলে, মহাপুৰুষ মাধৱদেৱৰ ঘোষাৰেহে মিলে। চাওক—

"আপুনি পণ্ডিত ষুহি মহন্তক
নোপাসিলে কদাচিত।

তথাপিতো গুৰু বোলাৱে কৃষ্ণৰ
মায়ায়ে হুয়া মোহিত ॥"
"নাজানে শাস্ত্ৰক শিষ্যৰ সংশয়
নপাৰে দূৰ কৰিত।
তাৰ উপদেশে আনো নতবয়
আপুনি ভৈল বঞ্চিত ॥"
"হৰিনাম শ্ৰদ্ধা কৰি বেদ পথ পৰিহৰি
ফুৰে অতি পাষণ্ড সকল।
ইহপৰ লোকে ভ্ৰষ্ট হইয়া পেট পুষি মাত্ৰ,
ফুবিবেক পৰম নিষ্কল।"
"নাজানে শাস্ত্ৰৰ নয়, যেহি আসে তাকে কয়
ছেদিবাক নপাৰে সংশয়।
গুৰু বোলাই তথাপিতো লোকৰ মাজত ফুৰি
মান্য সতকাৰ খুজি লয়।"

* * *

গোস্বামীদেৱে ৰামনামৰত্ন বেহোৰাৰ সুন্দৰ অৰ্থ কৰিছে!!! তেওঁৰ অৰ্থই আজিকালিৰ মহন্ত সকলৰ যে পৰমাৰ্থ হৈছে সেইটো বাঁহীয়ে দেখিছে। সেই পৰমাৰ্থৰ লোভতে যে তেওঁলোক আচল ৰত্ন গোটাবলৈ এৰি দি অবিহণা কৰ গোটাই পকা বণিয়া হৈ পৰিছে সেইটোকেহে তো বাঁহীয়ে ইমান দিনে কব লাগিছে। হে "গোস্বামীদেৱ," আপোনাসকলৰ ধন ঐশ্বৰ্য্য সুখ সম্পদ দেখি বাঁহীৰ চকুত পোৱলি ধৰা নাই, ৰাম নাম বেচি "ধনে কিনা ভকতি দি" আপোনালোকে খুব বগা ৰূপ সামৰি ধনী হৈ, মহৰ এঠা দৈও খাওক, টকচ্ ঘোৰাতো উঠক, আৰু যি অভিলাষ সেই আৰামৰ অৱস্থাৰপৰা ওপজে তাকো কৰক; কিন্তু "হে জগন্নাথসকল!" ধৰ্ম্মৰ গাদিৰপৰা নামি আহি কালু কেয়াঁৰ গাদিত বহিলে ভাল, কাৰণ তাত হে আপনাসকলক শুৱাব। বিষয়ী মানুহে মউৰ কাৰণে উঠা আদি সুখ luxury কৰাত বাধি ধৰাটো বেয়া হোৱা নাই, কিন্তু ধৰ্ম্মৰ গাদি অধিকাৰী তাৰ আগেয়ে এৰি দি তেনে বাধি ধৰাটো হে যে উচিত, এইটো মনে



খেলোৱা নাই নে? ৰামনামৰত্ন বেহোৰাৰ অৰ্থ হল এনেটো হে! ঘোষাত লেখিছে—
"মোক কিনা কিনা।
আন ধন নলাগয় নাম ধন বিনা।"
"ভাৰত বৰ্ষৰ দ্বীপ মনুষ্য শৰীৰ নৌকা
ৰামনাম মহাৰত্ন সাৰ।
হেনয় বাণিজ পাই যিটোজনে নকৰয়
তাত পৰে দুখী নাই আৰ ॥"

* * *

গোসাঁই মহাশয়ে, মহন্তসকলে হাল বাই খোৱাৰ কথা যি লেখিছে, তাৰ সম্পৰ্কে বাঁহীয়ে কয় যে, যি মহন্তই মহন্তৰ গুণবিৰহিত হৈ ধৰ্ম্ম কৰ্ম্ম আৰু সন্ত সাধুৰ সঙ্গ আৰু আচৰণ পৰিত্যাগ কৰি ঘোৰ বিষয়ী আৰু দুৰ্ঘোৰ সংসাৰী হৈ সত্ৰখন তেওঁৰ জমিদাৰী বুলি ভাবি তেনেকৈ চলে বা চলিবলৈ হেঁপাহ কৰে, সেইজনে গুৰুৰ গুৰুভাৰ পৰিত্যাগ কৰি হাল বাই খোৱাটো শতগুণে ভাল কাম। লোকক ফাকি দি ভণ্ড গুৰুৰ ভেশ লৈ পেট পুহি ফুৰি "অন্ধই অন্ধলাক" হাতত ধৰি লৈ গৈ খালত পেলোৱা আৰু পৰাৰ নিচিনা-তকৈ হাল বাই খোৱাটো honest আৰু সজ কাম, শ্ৰীযুত গোস্বামী তীৰ্থনাথ মহাশয়ে নিশ্চয় জানিব।

* * *

শিষ্যই দিয়া অবিহণা নবলৈ আমি গোসাঁইক হাক দিয়া নাই, তেখেতে লৈ থাওক; কিন্তু দাঁড়ি নলব, আৰু যি আৱশ্যক তাতকৈ সৰহকৈ নিবিচাৰিব, এই কেৱাহে কৈছোঁ। শিষ্যই দিয়া ধন সৰহকৈ যদি গোট খায়, তাক দেশৰ হিতকৰ কাৰ্য্য, ধৰ্ম্মৰ হিতকৰ কাৰ্য্য আৰু শিষ্যৰ মঙ্গলৰ অৰ্থে ব্যয় কৰিব, সেই ধনেৰে খেলনাও, পাটৰ চুনিয়া, পয়জাৰ "হাতীকা হাওদা ঘোৰাকা জিন" কিনি গা ঘেলাই বাহাদুৰী কৰি নুফুৰিব; আৰু ধৰ্ম্মৰ বেহাথন কৰোতে মুনফাত বা সুতৰ হিচাপত পোৱা মহৰ দৈগাখীৰৰ এঠা আৰু ঘিউবোৰ গা ৰাখি খাব, বাঁহীৰ এই কেৱা মাথোন উপদেশ; শুদাই পাই পানী দিও এগৰাহ খোৱাৰ আহি লৈ সৰহকৈ লোপাসোপে তাক খাই দপদপাই ফুৰিলেহে কথা বেয়াত পৰেগৈ।

অৰিহণাৰপৰা লাহে লাহে বাঢ়ি গৈ জমিদাৰী তালুকদাৰীত পৰি, প্ৰকৃত গুৰু শুচি বিষয়ী গুৰু হলেই সৰ্ব্বনাশ ঘটে। সেই দেখিহে মহাপুৰুষ মাধৱদেৱৰ ৰত্নাৱলী গ্ৰন্থত কৈছে—

"আপুনি বিষয়ী বিষয়ীক গুৰু মানে।
তাৰ উপদেশে সিটো বিষ্ণুক নাজানে॥
যেন অন্ধলাক অন্ধে পন্থ উপদেশে।
পৰিবেক দুয়ো গৈয়া গৰ্ত্তত অৱশ্যে॥
সেহি মতে মাধৱৰ বেদ জৰী ছিণ্ডি
পৰিবে সংসাৰ গৰ্ত্তে দুয়ো হৈয়া বন্দী॥
বিষয়ত অতি আসকতি ভৈল যাৰ।
কৃষ্ণক পাইবাৰ আশা নিবৰ্ত্তিল তাৰ॥
যেন বায়ু বস্ত্ৰ পশ্চিমক লৈয়া যায়।
পূবক খেদিলে জানা সি কি বস্ত্ৰ পায়॥"

এঠাদৈ খাই "পালোৱান" বা মাল হব পাৰি, কিন্তু ৰসনাক নিগ্ৰহ কৰি সাত্বিক মিতাহাৰ কৰাহে হে সাধু মহন্ত ধৰ্ম্মাধিকাৰৰ অধিকাৰৰ ভিতৰুৱা কাৰ্য্য, এই কথা আমাৰ তীৰ্থনাথ গোসাঁয়ে নেজানে নে? মহাপুৰুষ শঙ্কৰদেৱে পদ কৰা দ্বিতীয় স্কন্ধ ভাগৱতৰ পদৰ প্ৰথম অধ্যায়তে আছে—

"দধি দুগ্ধ ঘৃত মিশ্ৰ কৰি শালি অন্ন।
প্ৰৱঞ্চিয়া যিটো জনে ভুঞ্জে প্ৰতিদিন॥
সিটো জনে পাৰে যদি ইন্দ্ৰিয় জিনিত।
গিৰি সমে পাৰে তেৰে সাগৰ তৰিত॥

* * *

হেন জানি যতনে ত্যজিয়া আন কাম।
শঙ্কৰে ৰচিলা ডাকি বোলে ৰাম ৰাম"॥

"জাবজ" বুজোৱাটোৰ বিষয়ে শ্ৰীযুত তীৰ্থনাথ গোস্বামীয়ে যি লেখিছে, সেই বিষয়ে ইয়াকে কোৱা যাওক যে, উদাহৰণ স্বৰূপে ধৰোঁ, যদি ভৱানীপুৰীয়া গোপাল আতা বা বৰ যদুমণি আতা আদিৰ আজ্ঞাপৰ সত্ৰৰ গাদিত ৰহি কোনো মহন্তই সেই মহাত্মাসকলৰ প্ৰৱৰ্ত্তিত ধৰ্ম্মৰ বেহা নকৰি



বা এধাকেচেলীয়াকৈ কৰি বা কৰিব নাজানি, সেই গাদিত আন বস্তুৰ মুদিৰ দোকান পাতে, তেনেকুৱাজনেহে সেই জাবজ শব্দটিৰ পাগুৰীটো নিজৰ মুৰত আছেনে নাই হাত দি খেপিয়াই চোৱা উচিত। শ্ৰীযুত তীৰ্থনাথ মহন্তই এনে শব্দ ব্যৱহাৰ কৰি নিজৰ মুখ ৰঙা নপৰা দেখিব পাৰে, কিন্তু আমি হলে তেওঁৰ নিমিত্তে দুখিত।

* * *

শেহত কওঁ "মহাপুৰুষীয়া ধৰ্ম্মই জাতি বিভাগ নকৰি বামুণে চণ্ডালৰ লগত খাবলৈ কৈছে" বুলি বাঁহীয়ে কোৱা নাই। কিন্তু বাঁহীয়ে জানে, মহাপুৰুষীয়া ধৰ্ম্মই কয়, হৰিভক্ত চণ্ডাল হৰিভক্ত নোহোৱা ব্ৰাহ্মণতকৈ শ্ৰেষ্ঠ। হৰিভক্ত চণ্ডাল হৰিভক্ত ব্ৰাহ্মণৰ সমান। এতেকে হৰিভক্তিয়েহে খাই আচল বস্তু, জাতি নহয়। আচল বস্তু পৰিত্যাগ কৰি বা তালৈ আওকাণ কৰি অসাৰ বস্তুৰ ফালে চাই চিঞ্ঁৰ-বাখৰ কৰিবৰ সকাম নাই। মাধৱদেৱে লেখা "অন্নযোনি কিছু নকৰে বিচাৰ" ইত্যাদি পদ ফাকিৰ অভিপ্ৰায় গোটেই ঘোষাফাকি মাতিলেই ওলাব—

"অন্ন যোনি কিছু নকৰে বিচাৰ
জাতি কুল ভৈল ভ্ৰষ্ট।
বৈষ্ণৱৰ বেশ ধৰিয়া ফুৰয়
বেদ পথ কৰি নষ্ট।
হৰি হৰি হৰি কিনো ভৈল ইটো
কৃষ্ণৰ মায়াৰ বল।
হৰি ভকতিৰ পথত কপট
পাতিলেক অমঙ্গল॥"

যি মই বৈষ্ণৱ হৈছোঁ বুলি সেই কথাৰে গাত আউজি একোকে নেমানি বেদপন্থ অগ্ৰাহ্য কৰি ফুৰে; অৰ্থাৎ যি আচলতে অন্তৰেৰে সৈতে হৰিত শৰণ লোৱা প্ৰকৃত বৈষ্ণৱ নহয়, অথচ বৈষ্ণৱৰ ভেশ ধৰি তাৰে সুবিধা লৈ বেদ পন্থ উলঙ্ঘা কৰি শিষ্যক ঠগাই পেটপুহি ফুৰে, সেই ভণ্ড, নামত বৈষ্ণৱ, ঠগ "গোস্বামী" 'গুৰু'ৰ প্ৰতিহে সেই কথা মাধৱদেৱে প্ৰয়োগ কৰিছে।

যাওক, আৰু আজিলৈ আমাৰ গোষৰ্খীক ইয়াতে "ৰাম ৰাম" কৰিলোঁ।

* * *

শ্ৰীমদ্ভাগৱত—প্ৰথম, দ্বিতীয়, তৃতীয় স্কন্ধ। শ্ৰীযুত পদ্মানন্দ গুপ্তৰ দ্বাৰাই প্ৰকাশিত। শ্ৰীমদ্ভাগৱতৰ এই তিনি স্কন্ধৰ অসমীয়া পদ তিনি স্কন্ধ ছপাই এখন কিতাপ কৰি প্ৰকাশ কৰা হৈছে। সুহৃদ্বৰ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰপৰা এই কিতাপখন আমি পাইছোঁ। কীৰ্ত্তনঘোষাকে আদিকৰি পুৰণি অসমীয়া অনেক ধৰ্ম্মপুথি এই আগৰৱালা পৰিবাৰৰ অৰ্থব্যয় আৰু যত্নত ছপা হৈ ওলাইছে। আগৰৱালা পৰিবাৰৰ শীৰ্ষস্থানত পুণ্যতনু জ্ঞানী প্ৰবীন পুৰুষ ডাঙৰীয়া শ্ৰীযুত হৰিবিলাস আগৰৱালা, অসমৰ পুৰণি বৈষ্ণৱ ধৰ্ম্ম সাহিত্যৰ দুষ্প্ৰাপ্য আৰু মহাৰ্ঘ পুথিবোৰ অলপ আয়াস আৰু ব্যয়তে সকলোৱে পাব পৰা কৰোঁতাসকলৰ গুৰি। তেখেতৰ ওচৰত এইবাবে অসমীয়া সদায় ঋণী থাকিব।

* * *

সংস্কৃত শ্ৰীমৎ ভাগৱতৰ প্ৰথম আৰু দ্বিতীয় স্কন্ধৰ অসমীয়া পদছন্দত ভাঙনি পুথি, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অমৃতময়ী লেখনীৰপৰা ওলোৱা। শ্ৰীমদ্ভাগৱতৰ সেই দুই স্কন্ধৰ সাৰ ভাগৰ প্ৰাঞ্জল আৰু সুমধুৰ অসমীয়া পদ ভাঙনি হৈছে—শ্ৰীশঙ্কৰদেৱৰ প্ৰথম আৰু দ্বিতীয় স্কন্ধ ভাগৱত। শঙ্কৰ দেৱৰ ৰচনাৰ বিষয়ে কোৱা আমাৰ পক্ষে বাহুল্য আৰু ধৃষ্টতা মাথোন। ইয়াকে কলেই হব যে তেওঁৰ সকলো ভাঙনিৰ যি বিশেষত্ব,—অৰ্থাৎ অনুবাদ-সুলভ কৰ্কশতা আদি দোষশূন্যতা, মহাকবি মহাপুৰুষৰ প্ৰতিভাসুলভ গাম্ভীৰ্য্য, ভাষাৰ লালিত্য আৰু ছন্দৰ মৃদুমন্দ হিল্লোল প্ৰভৃতিৰে স্বতন্ত্ৰ মূল-ৰচনা-হে-যেন জ্ঞান প্ৰতিপাদকতা, ইত্যাদি গুণ এই দুই পুথিৰো শাৰীয়ে শাৰীয়ে বিদ্যমান। মহাপুৰুষৰ-সংস্থান-বৰ্ণন, যোগীপুৰুষৰ ক্ৰমোৎকৰ্ষ বৰ্ণন, পুৰুষৰ বিভূতি বৰ্ণন, ভগৱদ্গুণ বৰ্ণন প্ৰভৃতি কঠোৰ বিষয়বোৰৰ সাৰ ভাগৰ ৰচনা, পৰীক্ষিতৰ দ্বাৰাই কলি নিগ্ৰহ, যুধিষ্ঠিৰৰ ৰাজ্যলাভ, অশ্বত্থামাৰ দণ্ড, শ্ৰীকৃষ্ণৰ দ্বাৰকা গমন প্ৰভৃতি উজু বিষয়বোৰৰ ৰচনাৰ নিচিনা সহজ উজু আৰু মনোহৰ। Master-mind-অৰ ৰচনাই এনে ; Genius-অৰ প্ৰতিভাই এনে।



* * *

এই কিতাপৰ অন্তৰ্গত তৃতীয় স্কন্ধ শঙ্কৰদেৱৰ ৰচনা নহয়, গোপালচৰণ নামে এজন ব্ৰাহ্মণৰ। গোপালচৰণেও শঙ্কৰদেৱৰ আৰ্হি লৈ সংস্কৃত তৃতীয় স্কন্ধ ভাগৱতৰ পদ-ভাঙনি কৰিছে। তৃতীয় স্কন্ধ ভাগৱতৰ চাৰি অধ্যায়ৰ পদভাঙনি আগেয়ে শঙ্কৰদেৱে কৰি তাক এখন সুকীয়া গ্ৰন্থৰূপে "অনাদিপাতন" নাম দি উলিয়াইছিল ; সেইদেখি সেই চাৰি অধ্যায়ত গোপালচৰণে হাত নিদি সংক্ষেপকৈ তাৰ উল্লেখ কৰি গৈছে। গোপালচৰণে নিজে কৈছে—

"আমাৰ বান্ধৱ বন্ধু শ্ৰীমন্ত শঙ্কৰ।
কৰিলন্ত পদ তেহো চাৰি অধ্যায়ৰ।
সিটো ৰচনক মই মনে আদৰিলোঁ।
এতেকে ইসব কথা সংক্ষেপে কহিলোঁ।"

* * *

অনন্ত কন্দলিৰ নিচিনাকৈ গোপালচৰণ দ্বিজ শঙ্কৰৰ উচ্ছিষ্টৰ হে প্ৰাৰ্থী। তেওঁ পুথিৰ গুৰিতে লেখিছে—

"শ্ৰীশঙ্কৰ আদি সাধু সব যত।
যদি পদ নিবন্ধিয়া আছে নানামত॥
তথাপিতো তাৰাৰ উচ্ছিষ্ট যিবা পাও।
সাধু সকলৰ বাক্যে তাকে সে জোৰাও॥"

শঙ্কৰদেৱৰ ৰচনাৰে সৈতে আমি গোপালচৰণৰ ৰচনাৰ তুলনা নকৰোঁ ; কাৰণ, কিতাপটোৰ ভিতৰৰ প্ৰথমতে শঙ্কৰদেৱ ৰচিত প্ৰথম আৰু দ্বিতীয় স্কন্ধ পঢ়ি গোপালচৰণ ৰচিত তৃতীয় স্কন্ধত পৰিলেই বুদ্ধিমান পাঠকৰ চকুত সেইটো সহজে পৰি যাব। যি হওক, এইটো ঠিক যে গোপালচৰণ সংস্কৃতজ্ঞ পৰম পণ্ডিত প্ৰগাঢ় বৈষ্ণৱ ভক্ত ব্ৰাহ্মণ আছিল। তেওঁৰ ৰচনাত শঙ্কৰদেৱৰ ৰচনাৰ ছাঁ প্ৰকট। শঙ্কৰদেৱৰ আৰ্হি আগত ৰাখি তেওঁ তৃতীয় স্কন্ধৰ পদ ৰচনা কৰিছে বুলি নিজেই কৈছে যেতিয়া আৰু তাত বিচিত্ৰ কি।

* * *

দামোদৰদেৱৰ তিৰোভাৱৰ অনেক পিছত গোপালচৰণে এই পুথি ৰচনা কৰিছিল। গোপালচৰণ দামোদৰীয়া সম্প্ৰদায়ৰ বৈষ্ণৱ ; দামোদৰদেৱৰ

সংস্থাপিত সত্ৰৰ বৈষ্ণৱসকলৰ অনুৰোধত তেওঁ এই গ্ৰন্থ ৰচনা কৰে। আমি তেওঁৰ পুথিৰপৰাই ফাকিদেক তুলি দি আমাৰ কথাৰ সাক্ষী দিওঁ।—

"আছিলন্ত শ্ৰীদামোদৰ মহাসন্ত।
ভাগৱত শাস্ত্ৰ মাত্ৰ সদা শুনিলন্ত॥
তান নিজ কিঙ্কৰ পৰম সাধুচয়।
ইদানিকো হৰিগুণ সত্ৰে প্ৰবৰ্ত্তয়॥
তাসম্বাৰ বচনক কৰি শিৰোগত।
তৃতীয় স্কন্ধৰ পদ কৰিবো বেকত॥"

"ইদানিকো" শব্দটোৱেই স্পষ্টকৈ প্ৰকাশ কৰে যে দামোদৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ অনেক কালৰ পিছত গোপালচৰণৰ দ্বাৰাই এই গ্ৰন্থ ৰচিত হয়। দামোদৰদেৱৰ সংস্থাপিত বৈকুণ্ঠপুৰ সত্ৰৰ (কোচ বেহাৰত) ভকত সকলৰ বাক্যত গোপালচৰণে এই পুথি ৰচনা কৰে। এতেকে এইটো বুজিব পাৰি যে এই পুথি কোচবেহাৰত ৰচিত হয়। আৰু এটা অনুমান কৰিলে বোধ কৰোঁ ভুল নহব যে গোপালচৰণ সম্ভৱতঃ বৈকুণ্ঠপুৰ সত্ৰত প্ৰসঙ্গৰ অন্তত বা আদিত ভাগৱত পাঠ আৰু ব্যাখ্যা কৰোঁতা ভাগৱতী আছিল। আমি তেওঁৰ পুথিৰপৰা এই খিনিতে আকো এডোখৰ তুলি দিওঁ।—

"নমো দ্বিজবৰ দেৱদামোদৰ
আনন্দ ৰসৰ ধাম।
কৃপাৰ সাগৰ কৰ্ণে মুখে যাৰ
বিচ্ছেদ নাছিল নাম।
সিতো কৃপাময় কৰিলা উদয়
ভকতি ইতো লোকত।
আন শাস্ত্ৰে মতি নাছিলেক ৰতি
বিনে এক ভাগৱত॥
যাহাৰ আগত হোৱে বুদ্ধি হত
পৰম পণ্ডিত চয়।
নাহি কাতো মন নকৰে প্ৰাৰ্থন
চিন্তি থাকা কৃপাময়॥



দিব্য বস্তু যত হোৱে উপগত
প্ৰাৰব্ধ কৰ্ম্মৰ ফলে।
বিষ্ণুত অৰ্পিয়া বৈষ্ণৱক দিয়া
ভুঞ্জা তাক কৌতুহলে॥
একে হৰি পৰ দেৱ দামোদৰ
গুণৰ নাহিকে পাৰ।
কৃষ্ণ গুণ গণ কৰিতে শ্ৰৱণ
বহি যায় প্ৰেমধাৰ॥
বৰপেটা নাম থান অনুপাম
তৈতে বহি কতোকাল।
ভকতি বিস্তাৰি লোকক নিস্তাৰি
আছিল প্ৰভু দয়াল॥
তাত অনন্তৰ বেহাৰ নগৰ
আসিলন্ত কৰি লীলা॥
তৈতে দিব্য স্থান কৰিয়া নিৰ্ম্মান
ভকতিক প্ৰচাৰিলা॥
মহা শুদ্ধাশয় নিজ ভক্তচয়
সেই স্থানে থাপি থৈলা।
মনুষ্য শৰীৰ কৰি পৰিহাৰ
বৈকুণ্ঠক চলি গৈলা॥
প্ৰভুৰ বচন ধৰি সৰ্ব্বক্ষণ
অদ্যাপি সেহি স্থানত।
আছা সাধুগণ শ্ৰৱণ কীৰ্ত্তন
কৰিয়া ৰঙ্গে সতত॥
যাতো মহোৎসৱ শুনি হৰিৰৱ
ৰাত্ৰি দিনে সৰ্ব্বক্ষণ।
সত্ৰৰ শিখৰ বৈকুণ্ঠ অপৰ
যেন ভৈল উতপন।

বৈষ্ণৱ সকল পৰম উজ্জ্বল
যত হৰিগুণ গায়।
কীৰ্ত্তনৰ ৰোল শুনিয়া কল্লোল
পাষণ্ড ভাগি পলায়॥
মহাভাগৱত শুনি সিদ্ধান্ত
যিমত আনন্দ পাই।
কহো স্বৰূপত হৰি সমীপত
মুকুতি সুখত নাই॥
তেসম্বে আমাক পদ কৰিবাক
আজ্ঞা দিলে বঙ্গ কৰি।
মোৰ ভাগ্যচয় ভৈলেক উদয়
প্ৰসন্ন ভৈলেক হৰি॥
তাৰাৰ বচন কৰিয়া বন্দন
হৰিগুণ প্ৰসাদত।
ভাষ্য টীকা চাই অৰ্থ অৱগাই
ৰচিলো পদ ইমত॥"

• • •

এই ডোখৰৰ "অদ্যাপি" শব্দটোৱে আগৰ "ইদানিকো" শব্দই প্ৰকাশ কৰা, দামোদৰদেৱৰ মৃত্যুৰ আৰু এই গ্ৰন্থ ৰচোতাৰ কালৰ মাজৰ দূৰ ব্যৱধান সূচায়। দামোদৰদেৱৰ বিষয়ৰ কথাই দামোদৰদেৱৰ কৃষ্ণত একশৰণ আৰু অব্যভিচাৰী শ্ৰৱণ কীৰ্ত্তন ভক্তিৰ সুদৃঢ়তাৰ প্ৰমাণ দিয়ে; আৰু পিছত তেওঁৰ নামত কোনো কোনো সত্ৰত চলোৱা তন্ত্ৰ মন্ত্ৰ আৰু অন্য দেৱদেৱীৰ পূজাৰ কথাৰ মূলত কুঠাৰাঘাত কৰে। ইয়াৰ দ্বাৰাই আৰু এটা বুজিব পাৰি যে দামোদৰদেৱৰ পিছৰ ভালেমান কাললৈকে তেওঁৰ উত্তৰাধিকাৰী ধৰ্ম্মাধিকাৰসকলৰ মাজতো ভাগৱতী ধৰ্ম্ম, কৃষ্ণত একশৰণ, আৰু অব্যভিচাৰী ভক্তিহে সুদৃঢ়ৰূপে চলি আহিছিল, পিছৰ তান্ত্ৰিক দীক্ষা আৰু বলিকটা দেৱীপূজাৰ (innovation) ন সোতা তাত মিহলি হোৱা নাছিল। এই তৃতীয় স্কন্ধত থকা মৈত্ৰেয় বিদুৰ সংবাদ বা দেৱহূতি কাপিল সংবাদৰ কথা



নথৰিও, গোপালচৰণৰ নিজ ভণিতাত থকা উপদেশবোৰ পঢ়িলেই সি নিৰ্ভুল নিঃসন্দেহৰূপে প্ৰকাশ পায়। তাৰে দুশাৰীমান ইয়াত দিওঁ—

"একমন হৈয়া সবে শুনা নৰনাৰী।
কৃষ্ণকথা বিনে একো নাহি উপকাৰী॥
এতেকে আপোন ইচ্ছা সবে পৰিহৰি।
বান্ধৱ কৃষ্ণক মাত্ৰ ভজা যত্ন কৰি।
জানি ধৰ্ম্মে কৰ্ম্মে কিছু নকৰি যতন।
সৰ্ব্বক্ষণে কৰিয়োক শ্ৰৱণ কীৰ্ত্তন॥"
"মাধৱৰ যুদ্ধ লীলা শুনা সৰ্ব্বজন।
একান্ত ভকতি ইসে কৰিবে বৰ্দ্ধন॥
বৈষ্ণৱৰ নিজদাস গোপাল চৰণ॥"
"এহি জানি তান পাৱে পশিলো শৰণ।
সাধুসঙ্গে কৰিয়োক শ্ৰৱণ কীৰ্ত্তন।
কেৱলে ভক্তিক যদি মনে কৰে ইচ্ছা।
গাও গুণ নাম তেবে এৰি সবে মিছা॥"
"গোপালচৰণ কহে একমন
কলিযুগে গতি নাম।"
"নমো নমো কৃষ্ণ মোক কৃপা কৰিয়োক।
শ্ৰৱণ কীৰ্ত্তন সমে সাধু সঙ্গ হৌক॥"
"এতেকে কৃষ্ণৰ পাৱে সেৱা কৰিয়োক মাত্ৰ,
শিশুমতি গোপাল চৰণ।"
"কিঙ্কৰ কিঙ্কৰ নিজ গোপাল চৰণ দ্বিজ
কহে গতি কৃষ্ণ গুণ নাম।
আন কথা পৰিহৰি নিৰন্তৰে উচ্চ কৰি
মুখ ভৰি বোলা ৰাম ৰাম॥"
"আৰে বৈষ্ণৱৰ পাৱে ধৰিয়োক প্ৰেম ভাৱে
জ্ঞান কৰ্ম্মে আশা দূৰ কৰি।
গোবিন্দৰ দাস নিজ গোপাল চৰণ দ্বিজ
কহে ডাকি বোলা হৰি হৰি॥"

"তুমি ইষ্টদেৱ এৰি যিসব ব্ৰাহ্মণ।
আন দেৱ দেৱীক কৰয় আৰাধন॥
সি সব পামৰ ভাগ্যহীন দুৰাচাৰ।
কোটীকল্প নৰকত ভুঞ্জিবে নিকাৰ॥
(গোপালচৰণ বিৰচিত তৃতীয় স্কন্ধ)

পুথি খনৰ সামৰণিৰ ফালৰ আধ্যাৰ পদ দুফাকিত গোপাল চৰণেৰ গুৰু দামোদৰ দেৱৰ বন্দনা কৰি কৈছে—

"হে প্ৰভু কৃপা কৰা দেৱ দামোদৰ!
সত্যে সত্যে ভৈলোঁ মই তোমাৰ কিঙ্কৰ"॥

সামৰণিৰ অধ্যায়ত গোপাল চৰণে শঙ্কৰদেৱৰ বিষয়ে লেখিছে—

"কৃষ্ণৰ একান্ত নিষ্ঠ শ্ৰীমন্ত শঙ্কৰ শিষ্ট
কামৰূপে ভৈলন্ত বেকত।
লোকৰ চিন্তিয়া হিত পাষণ্ডক দমি নিত
প্ৰচাৰিলা ভক্তি বহুমত॥
নানা শাস্ত্ৰ প্ৰচাৰিয়া ভকতিক প্ৰকাশিয়া
আমাক দিলাহা চক্ষু দান।
কোটী কোটী কল্প যদি উপকাৰ কৰি আঁত
তভো গুণ শুজা নযায় তান॥
বান্ধৱ কৃষ্ণক তেহে আমাসাক চিনাইলন্ত
ভক্তক কৰাইলা পৰিচয়।
জ্ঞান কৰ্ম্ম পথ খণ্ডি ভকতিক দেখাইলন্ত
হেন বন্ধু কেহো নাহিকয়॥
তান পদ অনুসৰি বিৰচিলো ইতো পদ
আৰ ফল বাঞ্ছো এহি মান।
তাত মোৰ ৰৌক মতি বৈষ্ণৱত হোক প্ৰীতি
মোৰ জন্ম হোক যিতো স্থান॥"

পাঠক! ইয়াৰ পিছতো দামোদৰীয়া মহাপুৰুষীয়া পৃথক বুলি কৰা নে? মহাপুৰুষীয়া শূদ্ৰীয়া ধৰ্ম্ম, দামোদৰীয়া বামুণীয়া ধৰ্ম্ম বুলি



ইতিকিং কৰোঁতাসকলে এতিয়া কি কয়? "আমাসাক চিনাইলন্ত" কথাৰ আচল মানে কি? "আমাসাক" কথাৰাৰ দামোদৰীয়া গোপাল-চৰণৰ মুখৰ; এতেকে তাৰ ভিতৰত দামোদৰীয়াসকল কট্‌কটীয়াকৈ সোমাই পৰা নাই নে? শঙ্কৰদেৱ শূদ্ৰ বুলি আজিকালিৰ কোনো কোনো ভীমফোঁকা বামুণ মহন্তই শঙ্কৰদেৱৰ তিথিৰ দিনা শিষ্যক হাল বাবলৈ কোৱা, আৰু শিষ্যই নাবাওঁ বুলিলেও সেই শিষ্যৰ ওপৰত ৰামটাঙোন জোকৰা কথা আমি শুনিছোঁ। নিজৰ গুৰুৰ ধৰ্ম্মলৈ ৰতি প্ৰীতি থকা প্ৰকৃত বৈষ্ণৱ মহন্তই নিশ্চয় এনে কাম কৰিব নোৱাৰে। অৱশ্যে এইটোও জানি থব লাগিব যে ব্ৰাহ্মণৰ "ছৰাই"হে পিচত পোৱাগুঠান বা "কালাপাহাৰ" হৈছিলগৈ।

---

# সাগৰ-সঙ্গীত।

(পুৰীৰ সাগৰৰ পাৰত বহি দেওবাৰে দুপৰীয়া ১২ বাজিবলৈ ১৩ মিনিট থাকোতে ৰবৰুৱাই ৰচনা কৰে)।

কিমান নো গোজৰা, কিমান নো গুমৰা,
হেৰা বৰুণৰ বেটা?
দেওপাৰণি, উথলনি, যেন
বায়ুনৰ খেমালিৰ ঘেটা।
ফোচ্‌ফোচনি, হুৰ হুৰণি,
গিৰ্‌গিৰণি গাজনি,
ফোপাউৰি, দেদাউৰি,
শেহত তেলত থাৰণি।
ডাঙৰ ঢৌৰ বগা ঘোৰাত
উঠি মাৰা চোচা?
পাৰত বহি বুজোঁ মই
এই ভাবুকি মিছা।

জনা আছে জনম্ জাতি
সিন্ধু হাঙ্গৰিকাৰ,
ষাঠি হেজাৰ সগৰ বেটাৰ
কোৰ ষাঠি হেজাৰ।
ডবল কোবৰ ডবল চপৰা,
সাগৰ ৰবপুখুৰী,
আগস্তিয়ে শুকাই থলে,
সোহা এটা মাৰি।
ঢেৰ দেখিছোঁ, ঢেৰ শুনিছোঁ,
সমুদ্ৰ অনন্ত,
একে জাঁপেই পাৰ হল
ডালৰ হনুমন্ত।
ৰৰবৰুৱা পেটাল হল,
পেটেই কালক খালে,
নতু, হনুমন্তক কাহা-
নিয়েই হৰুৱালে।
ৰাজ্যৰ লোণখন পেটত সুমাই
আভোৰ-পাভোৰ পেট,
তৎ নেপাই উথলিছে
(যেন) ফেটীসাপৰ ফেট।
অজীণ পেটৰ শামুকৰ খোলা
পাৰত চিটিকি পৰে,
গাট খানি কেকোবাবোৰে
সৰিচাপৰি মৰে।
এনে তুমি সমুদ্ৰ ককাই,
হাঙ্গৰিকাৰ নাতি,
দেখৰ বিল নৈৰ ৰজা
তোমাক থলে পাতি।



নৈ বৰৰুণৰ মিঠা পানী
তোমাত পৰি তিতা,
ৰজা হলেও, অসৎ সঙ্গ,
হে সিন্ধুৰাম মিতা!
অনাহকত ইমান ঠাই
জুৰি আছা কিয়?
পৃথিৱীখনৰ তিনভাগ গিলিছা,
এভাগত মানুহ থিয়।
তফাৎ যোৱাঁ, শুকাই যোৱাঁ,
ঠাই এৰি দিয়াঁ,
অগস্তি গোত্ৰৰ কৃপাৰৰে
হুকুম দিয়ে চোৱাঁ।
নতু, অমৃতা-ঠাৰিৰ নলেৰে
সোহা মাৰি থম;
পলসুৱা মাটি উলিয়াই
শালি ধান বম।
ঢেৰ দেখিছোঁ, ঢেৰ শুনিছোঁ,
হে সিন্ধুৰাম কাই,
ফোচ্ ফোচনি, হৰহৰণি
তোমাৰ অন্ত নাই।
ঢোৰাসাপৰ, পুৱাৰ মেঘৰ,
ছাগলী মুজৰ ঠুম,
কৰম কৰোঁৱা বাপুৰ শ্ৰাদ্ধৰ
গাখীৰ চাউলৰ ধুম!
বচ্ কৰাঁ, ক্ষান্ত দিয়াঁ,
বোমাঁ, দিছোঁ হাক,
কিৰিপ-আৰৰ ৰবৰুৱাৰ
নকটাৰা নাক।

ৰবৰুৱা লঙ্কা যাব,
বাট এৰি দিয়া,
মন্দোদৰীয়ে চিঠি লেখি
তেওঁৰে পাতিছে দিয়া।
ৰাৱণ মৰাৰ অতদিন
পাট পৰি আছে,
"নিকা" কৰি ৰবৰুৱাক
বজা পাতো কৈছে।
যাওক সিসব তোমাক নকও
কাঞ্চৰ কথা এইয়া,
মহাসাগৰ মহা-চহাৰ
থপ্ এৰি দিয়া।
নন্দি ভৃঙ্গি পিয়ন পিয়দাক
যি কৰা কৰা,
স্বয়ং ৰূপা ৰবৰুৱাক
ভাবুকি নামাৰা।
ইতি। স্থিতি॥
কৃপাবৰ। কবিবৰ॥

---

# গোপাল আৰু গোপীনাথ।

( ৰবৰুৱা ৰবচৰাত। হাতত কাপ-কাঠী, আগত তুলাপাত )

বাপুৰাম ৰবাৰ প্ৰবেশ )

বাপুৰাম। ৰবৰুৱা ডাঙৰীয়া, সেৱা।

ৰবৰুৱা। সৰ্ব্বনাশ কৰিলা! সৰ্ব্বনাশ কৰিলা! মোৰ মগজ খালা! উস খেদালে ঐ! খেদালে ঐ!

বাপুৰাম। ( বাস্তভাৱে ) কি খেদালে? কোনে খেদালে?



ৰবৰুৱা। তুমি খেদালা!

বাপুৰাম। মই কি খেদালোঁ?

ৰবৰুৱা। কবিতাটো। মোৰ কবিতাটো।

বাপুৰাম। মই কি কবিতাটো খেদালোঁ? মই একোটোকে বুজিব পৰা নাই ৰবৰুৱা ডাঙৰীয়া!

ৰবৰুৱা। তুমি তো বুজিব নোৱাৰিবাই। মোৰ কবিতাটো, মই লেখি থকা কবিতাটো।

বাপুৰাম। আপোনাৰ কবিতাটো মই কলৈ খেদালোঁ?

ৰবৰুৱা। অন্তেসপুৰলৈ।

বাপুৰাম। কবিতাটো জানো কিবা বোৱাৰী-ছোৱালী যে মোক দেখিয়েই তাই ওৰণী লৈ উঠি আপোনাৰ অন্তেসপুৰ পালে গৈ?

ৰবৰুৱা। এৰা সেয়ে। আজিলৈকে তুমি তাকো গম পোৱা নাই হবলা? কবিতা বোৱাৰী-ছোৱালীয়েই হে। তাই কাকো নেদেখিলে দুকাই-চুৰকৈ গিৰিয়েকৰ আগলৈ ওলাই আহে। গাতত বটা, বটাত ঠুৰিৱা তামোল, মুখত মিচিক-মিচিক হাঁহি। তাইৰ গিৰিয়েকটো কোন কব লাগে নে? গিৰিয়েকটো কবি; বটাটো কাকত; ঠুৰিৱা-তামোলবোৰ চেকুৰাচেকুৰে কাব্যৰস! গিৰিয়েকৰে সৈতে তাইৰ এই ফুচ্-ফুচ্-ফাচ্-ফাচ্ হাস্যালাপ আৰু ৰসৰ চেকুৰা-ভোজন হয় বিৰলত হে; বাহিৰৰপৰা দুৱাৰত কোনবাই খিবিক্ কৰিলেই তাই মাইকী স্নগৰীপহঞ্জনীৰ দৰে কাণ থিয়কৈ নিষ্ফুলীমৰাদি মাৰি অন্তেসপুৰ পায়গৈ। নকৈ বিয়া কৰাই অনা "ৰসৰঙ্গিনী অভিমানিনী সুহাসিনী দামিনী ভামিনী কামিনী কুঞ্চিত-কুন্তলা চপলা কমলা অবলা সবলা বালাৰে" সৈতেহে তাইৰ দিজনি হয়। তাইৰ স্বভাৱ "দেবো নজানাতি কুতোমনুষ্যঃ।" এনেকৈ তাইক কাবৌকৈ মাতি থাকিলেও তাই ওচৰলৈ নাহে, কেতিয়াবা আকৌ নামাতিলেও তাই এযোকোৰা হাঁহি লৈ ওলাই গাতে পৰিব খোজে, খেদিলেও যাবৰ নামটি নাই। এনে চকলা, এনে চপলা, এনে মইমতীয়া, এনে টেটুকুটীয়া "আউৰৎ" মই এই পৃথিবীত আৰু আন এজনী দেখা নাই। কেতিয়াবা কাবৌকোকালি কৰি তাইক মাতি আনিলেও তাই ভুৰুং কৰে বালিমাহী চৰাইটো পলোৱাদি পলায়,

খেদা মাৰিলেও তাইক ধৰিব নোৱাৰি, অথচ কেতিয়াবা ধৰোঁ ধৰোঁ ছোওঁ ছোওঁ যেন লাগে, কিন্তু নোৱাৰোঁ ধৰিব, নোৱাৰোঁ ছুব! আকৌ কেতিয়াবা মন গল যদি নিজেই এনেকৈ ধৰা দিয়ে যেন সজাৰ মইনাটী হে! বুজিলা এতিয়া?

বাপুৰাম। বুজিলোঁ পিছে সেই চঞ্চলা চপলা বালা সুহাসিনী সৌদামিনী"কবিতানী"ৰে সৈতে নো কি আলাপ কৰিছিল, আমাকো তাৰ ভাগ দিয়কচোন?

ৰবৰুৱা। ৰবা, তোমাৰ লিঙ্গজ্ঞান প্ৰখৰ মই জানো। সেই "কবিতা নীয়ে" মোৰে সৈতে আলাপৰ তাতথন তৰোতেই তুমি ওলাই সকলো ভ্ৰষ্ট কৰিলা। তোমাক দূৰতে দেখিয়েই বনবিহাৰিণী ত্ৰস্তা ভীতা কুৰঙ্গিনীৰ নিচিনাকৈ তাই মোক কবিতা-ৰ-ছেৰা কৰি পলাল! "আপৎকালমুপস্থিতে" দেখি মই বাক্কেৰ বিহাৰ আঁচলৰ দহি ডালচেৰেকতে খামোচ মাৰি ধৰি ছিলোঁ,—মাথোন সেয়ে মোৰ হাতত ছিগি ৰল। অলঙ্কাৰ পৰিত্যাগ কৰি পোন বাটেদি মিষ্টৰ ৰবা তোমাক কওঁ,—মই আজি "বিহু" নামৰ কবিতা এটা লেখিবলৈ আৰম্ভ কৰিছিলোঁ, এনেতে তুমি আহি ওলাই তাৰ ৰসভঙ্গ কৰিলা, অৰ্থাৎ তাত বিঘিনি জন্মালা। সেই কবিতাটোৰ যিডোখৰ ৰচনা কৰা হৈছিল, সেই ডোখৰ এই:—

বিহু।

১৯৩৫ শকে
    পাৰি এটি কণী,
৩৬৫ দিন
    দিছিল উমনি।
৩০ চতৰ ওৰ পৰিল
    ফেহুজালি বেলি,
ঢোলৰ কোবত ফুটিল কণী,
    কাউৰীৰ ৰমলি!
৩৬ শকৰ পোৱালিটি
    ওলাই দিলে লৰ,



কপাকপ খুটি খালে
    দণ্ড পলবোৰ।
যিমান খায় সিমান বাঢ়ে
    ভোকৰ জাউৰি;
দিন, বাৰ, মাহ খেদে
    মাৰি ফোপাউৰি।
খাই গৈছে, শকত হৈছে,
    মছি গৈছে চিন,
জৰৰ জাকত পকাই খালে
    মানুহো তালেখিন।
চুলি পকাই ৰবৰুৱাক
    খাবৰ মন দেখি,
বাইদাওৰ কোব দিলোঁ
    পিঠিত লেখি লেখি।
কোবাই ঢৰিয়াই সৈ কঢ়ালোঁ,
    বুলিছে "পলাম"।
"১২ মাহৰ পিছত" কৈছে,
    "নিশ্চয় পলাই যাম"।
ৰেছ কথা সিয়ো ভাল,
    আহক ৩৭,
শপত খুৱাই লৈ তাৰো
    কাঢ়ি লম বিষ।

এনেতে তুমি আহি পাইছাহি; কবিতা পলাল, আৰু লেখা নহল; তাৰ উপৰিও যি লেখিছিলোঁ তাৰো ৰসভঙ্গ হল।

বাপুৰাম।—ৰসভঙ্গতকৈও যে আপোনাৰ কবিতাৰ ছন্দভঙ্গ হৈছে, সেইটোলৈ মন কৰিছে নে নাই?

ৰবৰুৱা।—জৰাজীৰ্ণ হলে, পুৰণি হলে, বস্তুৰ বান্ধ চাট সকলো ঢিলা হয়; সেইটো নো আৰু তুমি মোক কি কবলৈ আহিছা? সঁচা কথাটো সৈ

কাঢ়িবলৈ হলে, ১৮৩৫ শকৰ ১ বহাগতে মই কবিতাটো লেখিবলৈ আৰম্ভ কৰিছিলোঁ, এতিয়া ১৮৩৬ বহাগৰ পিছৰ শাওণ পাইছেহি, সি নো আৰু জৰাগ্ৰস্ত নহব নে? অৱশ্যে তাক সভাসদসকলৰ আগত উলিয়াবলৈ হলে ন-কৈ মেৰামৎ কৰিব লাগিব।

বাপুৰাম।—এতিয়া বুজিলোঁ। যি হল হল, এতিয়া মোক সজুলি এটি দিয়ক।

বৰবৰুৱা।—হোৱাঁ, লোৱাঁ।

বাপুৰাম।—কতা? লোৱাঁ বুলি দেখোন টঙক মাৰি বল?

বৰবৰুৱা।—সজুলিটো মন জুইৰ ধোৱাঁৰে পকাইছোঁ, পকিলেহে তোমাক দিম; নতুবা সি এঠাবে সৈতে কেহা হব, গিলিব নোৱাৰিবা।

বাপুৰাম।—বুজিলোঁ, আপোনাৰ আজিৰ সজুলিটো কল। আজি মোক আপুনি কলা দেখুৱাই খেদাব খুজিছে।

বৰবৰুৱা।—আৰে ৰামঃ! নহয় নহয়। তাতকৈও ভাল বস্তু এটা দি হে আজি তোমাক বিদায় দিম। যথা, নাৰিকল। নাৰিকল কলৰ অগ্ৰজ। শুনা,—

গোপাল আৰু গোপীনাথ নামে দুই ককাই ভাই আছিল। এঠাইত। গোপাল বিবাহযোগ্য হল; গোপীনাথো যে নহল এনে নহয়। কিন্তু গোপাল জ্যেষ্ঠ বাবে প্ৰথমতে বিবাহিত হল। গোপাল গোপীনাথ দুয়ো বয়সত ডাঙৰ সৰু হলেও, দেখিবলৈ কিন্তু তালজুৰীয়া। গোপালে বিয়া কৰাই কন্যাৰত্ন লাভ কৰা দেখি গোপীনাথৰ মনত অসন্তোষ, আৰু অসন্তোষৰ আত্মজ পিয়াল উপজিল। দুইৰো যেতিয়া সকলো বিষয়তে অৱিয়াঅৱি, এই কাৰ্য্যতো গোপীনাথ পিছ-পাও হব কিয়? আন নানা জাতৰ অৱিয়া-অৱিৰ মাজৰপৰা এটা কি দুটাৰ উদাহৰণ উদাহৃত কৰি তোমাক কওঁ। গোপালে এদিন শ্ৰোতাসকলক এটা সাধু বা আখ্যান, বা লাগতিয়াল কথা কলে। সেই শ্ৰোতাসকলৰ সমত গোপীনাথো আছিল। গোপীনাথে কি কৰিলে জানা নে? গোপীনাথে দিনচেৰেকৰ মূৰতে গোপালকে আদি কৰি পূৰ্ব্বৰ শ্ৰোতাসকলকে গোপালৰপৰা পূৰ্ব্ববিনিৰ্গত সেই কথা বা আখ্যানকে নিজৰ উদ্ভাবিত বা স্বকপোলকল্পিত যেন কৈ নতুকৈ কলে। কোতিয়াবা



গোপীনাথৰ প্ৰণালীৰ অলপ লৰচৰও হয়; যেনে, গোপালে তামোলৰ লগত মূৰত-খোৱা-ধপাত খায়; তাকে দেখি গোপীনাথে ধপাতৰ নস্তগুৰি চিকুটে চিকুটে উজাবলৈ ধৰিলে, আৰু চেলেউ, হোকা হুপিবলৈ ধৰিলে। গোপালে পদ্মেশ্বৰ হাকিমক যিহিকৈ খোচামোদ কৰা দেখি গোপীনাথে পদ্মেশ্বৰৰ টেকেলা খহৰাক ভোটা ৰকমে খোচামোদ কৰিবলৈ ধৰিলে, যাৰ বাহুল্য বিবৰণ নিষ্প্ৰয়োজন।

এইবোৰ যি হওক, গোপালৰ গৃহস্থী সুখ দেখি গোপীনাথে আৰু থাকিব নোৱাৰি, চতৰ বিহুৰ তিনি দিনৰ পিছত বিহু-হাটৰপৰা লোকৰ ছোৱালী এজনী চুৰ কৰি আনিলে।

বাপুৰাম।—ৰব, ৰব, আপোনাৰ গোপাল গোপীনাথ ভাল মানুহৰ ঘৰৰ লৰা নে সৰু মানুহৰ ঘৰৰ লৰা, মোক ভাঙ্গৈ কওকচোন? ইয়াৰ আগেয়ে ইমান পৰ, ভাল মানুহৰ ঘৰৰ বুলি হে মোৰ মনত খেলাইছিল।

বৰবৰুৱা।—এতিয়া নো নেখেলোৱা হল কিয়?

বাপুৰাম—কোনো ভাল মানুহৰ লৰাই বিহু-হাটৰ ছোৱালী চুৰ কৰি নানে।

বৰবৰুৱা।—তেন্তে মোৰ গল্পটো তোমাৰ আগত নচলিল? বাৰু, তেনে হলে গল্পটোৰ এই ছোৱা বাতিল কৰা গল। আমাৰ দেশৰ ডাঙৰ সৰু সকলোৰে ঘৰত কত গোপাল গোপীনাথ আছে তাৰ ঠিক নাই। মোৰ গল্পটোৰ এই ছোৱা কোনোবা "ছোট লোক" গোপীনাথে কৰিছিল বুলি ধৰি ললেও চলে; কিন্তু তুমি আপত্তি কৰিছা যেতিয়া এজোৰ ভদ্ৰলোক গোপাল গোপীনাথৰ কথাকে কওঁ শুনা। ৰবা, তোমাক সোধোঁ, মই ভদ্ৰলোক নে ছোটলোক?

বাপুৰাম।—আপুনি ছোটলোক হব কিয়? ভদ্ৰলোক।

বৰবৰুৱা।—তেন্তে মই এই খিনিৰপৰা যি জোৰ গোপাল গোপীনাথৰ কথা কম, সিইত মোৰ ভাগিন। এতিয়া ধৰি লোৱাঁ যে এই গোপীনাথলৈ খুজি-মেলি ভাল মানুহৰ ঘৰৰ ছোৱালী এজনী বিয়া কৰোৱা হল। গোপীনাথৰ ঘৈণীয়েক ঘৰলৈ আহিয়েই গোপালৰ ঘৈণীয়েকেৰে সৈতে ফেৰ পাতি ঈৰ্ষা কৰিবলৈ ধৰিলে। দুই ভাই গোপাল গোপীনাথৰ ঘৰ ঘৰ গুচি বাহতল

হল আৰু বাঁহৰ আগত কাউৰীৰ ৰমলিৰ নিচিনা দুই আকৰ ৰমলিত গোপাল গোপীনাথৰ কাণ কলা হল। ৰমলিৰ পিছত চুলিয়াচুলি হল। দুই ভায়েক প্ৰথম ডোখৰত সেই দন্দত যিমানকে নিৰপেক্ষ আৰু নিৰ্লিপ্ত হৈ আছিল, কিছুদিনৰ পিছত কিন্তু তেওঁলোকৰ কৰ্ম্মফল ঘটিল। সেই ফল— দুই ভায়েকৰ পৃথকত্ব। অন্তত বইবস্ত মাটিবাৰী ভাগ কৰি দিয়া কাৰ্য্যৰ ভাৰ পৰিল মোমায়েক বৰবৰুৱাৰ গাত। নিৰ্লিপ্ত মই সেই গৃহবিবাদত লিপ্ত হব লগীয়াত পৰিলোঁ।

ৰবা।—বৰবৰুৱা ডাঙৰীয়া ৰব, লৰি নাযাব, মোৰ অলপ খুকুৰি থাকি গৈছে অনুগ্ৰহ কৰি খুকুৰিটো ভাঙি দিয়ক।

বৰবৰুৱা।—কি খুকুৰি কোৱাঁ?

ৰবা।—মই তো আপোনাক ইমান দিন জানো; কিন্তু আপোনাৰ যে গোপাল গোপীনাথ নামে কোনবা ভাগিন কেতিয়াবা কৰবাত আছিল, মই শুনা নাছিলোঁ।

বৰবৰুৱা। তুমি নুশুনিলে আৰু থাকিব নাপায় নে? বাস্তবিকতে নাছিল হয়, কিন্তু প্ৰথম জোৰা গোপাল গো[illegible]থ বাতিল হোৱা দেখি হে এই ন গোপাল গোপীনাথ ভাগিনৰ সৃষ্টি কৰি গল্পটো থিয় কৰিছিলোঁ। তুমি তাতো যে খুকুৰি ধৰিবা সেইটো মোৰ হিচাপত নাছিল। এতিয়া ধৰিলা যেতিয়া এই হালকো বাতিল কৰি নতুন গোপাল গোপীনাথ আম দানি কৰা যাওক। তথাপি মোৰ গল্পটো বধ কৰিব নোৱাৰি। এই বাবে এই জোৰ গোপাল গোপীনাথৰ গোপাল সকতে মৰিল। মাকে গোপীনাথক বুকুত বান্ধি লৈ ডাঙৰ দীঘল কৰি তালৈ ছোৱালী এজনী বিয়া কৰাই আনিলে। ছোৱালীজনী দেৱানী চিৰস্তাদাৰৰ জীয়ৰী। সেইজন দেৱানী চিৰস্তাদাৰৰ মই নাম নেজানো। তেৰ বছৰীয়া বোৱাৰীক হালৰ গৰু বোৱাদি শাহুৱেকে বাবলৈ ধৰিলে। বাপেকৰ ঘৰত কান্দি ভাত খোৱা ছোৱালীৰ খোজেপতি দোষ শাহুৱেকৰ চকুত ডাঙৰ হৈ পৰিল, আৰু শাহুৱেকে দিনো বোৱাৰীয়েকৰ চৌধ্য পুৰুষক উকটি গালি পানি তপত পিঁড়ি দিবলৈ ধৰিলে। ইয়াৰ পিছত দিনো অনেক কথা অনেক বতৰা আৰু অনেক ঘটনা ঘটিবলৈ ধৰিলে। শেহত গিৰিয়েক আৰু



শাহুৱেকৰ মাউথীয়া কিলৰ জাউৰিত বোৱাৰীয়েকক হিষ্টিৰিয়া অৰ্থাৎ মৃগী ৰোগে ধৰিলে। তাইক ভূতে পাইছে বুলি জানৰতী শাহুৱেকে দেশৰ বেজ-জানী লগাই জৰাই ফুকাই, বিৰি মাদলি আৰি দি, জাক দি, কোবাই-ঢৰিয়াই একাকাৰ কৰিলে। ফলত বোৱাৰীয়েকৰ গাত থকা ভূতে লগৰীয়া পঞ্চ-ভূতকো লগ লগাই লৈ তাইক এৰি থৈ গুচি গল। সমন্ধত ছোৱালীজনী মোৰ খুলশালী আছিল; সেইদেখি মই তাইৰ শবটো ধৰি দিব লগীয়াত পৰিছিলোঁ।

ৰবা।—ৰব, ৰব, বৰবৰুৱা ডাঙৰীয়া ৰব, আকৌ লেঠা ওলাল। ডাঙৰীয়াই নো কেতিয়া বিয়া কৰাইছিল যে আপোনাৰ খুলশালী হল?

বৰবৰুৱা। সেইটো হয়। মই পাহৰিছে, আৰু নাই পাহৰা যদি, তোমাৰ আহকালৰ তাপত নোৱাৰিহে এই জোৰ গোপাল গোপীনাথৰ এনে বৰ্ণনা কৰিছিলোঁ। যাওক, হানি নাই, আৰু গোপাল গোপীনাথ আছে।—এই গোপাল গোপীনাথ নমোৰাম দাসৰ ঘৰৰ লৰা। গোপাল গোপীনাথৰ গোপীনাথ হে সকতে মৰিল, গোপাল নহয়। গোপাল ছোৱালী বিয়া কৰোৱা বয়সলৈকে নিৰ্ব্বিঘনিয়ে আছিল, তাৰ মূৰৰ বিষ এটাও হোৱা নাছিল আৰু গাত টোপাখহু এটাও হোৱা নাছিল। গোপালৰ মাক মৌজাদাৰণী, বাপেক মৌজাদাৰ। মৌজাদাৰণী বুলি বেলেগ বিষয় একো নাছিল, কেৱল মৌজাদাৰৰ পত্নী দেখিহে তেওঁ সেই নাম পাইছিল। এই গোপালে লেখাপঢ়া কৰি কলেজ পাইছিলহি। কলেজত পঢ়ি থাকোতেই এদিন গোপালৰ অলপ নৰীয়া হল, অৰ্থাৎ অলপ বিয়া কৰাবৰ মন গল। "মেচৰ" লৰাই পেটত সাগুদানা আৰু ডিঙিত কম্ফোৰ্টৰৰ ব্যৱস্থা কৰিলে। এই দৰবে গুণ নধৰিলে, বৰং তাৰ অলপৰ পিছতে মনটো ৰৰকৈহে গল, আৰু ৰৰকৈৰ পিছত নথৈকৈ গল। তেতিয়া তেওঁৰ লগৰীয়া বন্ধুসকলে সেই কথা চিঠিৰে গোপালৰ মাকৰ কাণ চুৱালে। মাকে বং পাই লৰালৰিকৈ ভুৰাম উকিলৰ জীয়েকেৰে সৈতে গোপালৰ বিয়াৰ থিৰ কৰিলে। গোপাল যদিও বিয়াৰ বলিয়া হৈছিল তথাপি ধনৰ বিষয়ত তেওঁ নীৰহ-নিপানী আছিল। ভুৰাম উকীলৰো ছোৱালীজনী গোপাললৈ বিয়া দিবৰ আগ্ৰহ হৈছিল। তাকে দেখি সুবিধা বুজি গোপালে "বিয়াৰ খৰচৰ বাবে ১০০০৲ টকা লাগে" বুলি

উকিলৰ ওপৰত "দাওৱা" কৰিলে। অৱশ্যে এইটো মন কৰিবলৈ পাহৰিব নেলাগে যে এই দাওৱা বঙ্গদেশীয়া "বৰপণ"ৰ শাৰীৰপৰা ওখত, কাৰণ ওখলৈ তুলিবলৈকে বিবেচক আৰু বিবেকী ( consciencious ) গোপালে তাৰ নাম "বিদ্যাৰ খৰচ" দিছিল। মই কিন্তু কথাটো শুনি, এই কলিকতা চহৰতে গোপালক মাতি আনি "সজ্জন গৰিহণা" কৰিলোঁ। গোপালে মোক আমাবচৰেক গালি পাৰি দিলে। মোৰ পেটত সেই গালি জীৰ্ণ নগল। সমন্ধত ভতিজা লগা গোপালে মোক এই দৰে অপমান কৰাত মোৰ কিবা আকৰা খং এটা উঠিল মই—

ৰবা।—ৰব, ৰব ; এই গোপালৰ উপাধি দাস হলে, মই যত দূৰ দেখিছোঁ, তেওঁ শূদ্ৰ. কিন্তু আপুনি ব্ৰাহ্মণ ; এনে স্থলত গোপাল কেনেকৈ আপোনাৰ ভতিজাক হল ?

বদবৰুৱা।—তুমি এইবোৰ উভঁহা উলিয়াই থাকিলে আজি আৰু মোৰ গল্পটো বৰ অনা অসম্ভৱ হৈ উঠিল। তুমি অৰসিক। শাস্ত্ৰত কৈছে—

"বিতৰ শতানি তাপাঃ হে চতুৰানন !
অৰসিকেষু ৰসস্য নিবেদনম
শিৰষি মা লিখ মা লিখ।"

Therefore আজিলৈ আৰু গল্প বন্ধ। গুড নাইট।

---

## পুব আৰু পচিম।

কৰিব লগা পুবেহে কৰে,
পচিমে নকৰে একো,
পুবে আনি দিয়ে সূৰ্য্যৰ পোহৰ,
পচিমে নুমায় তাকো।
সন্ধিয়া বেলি জিলিকে তৰা
পুব আকাশৰপৰা,
পাচেহি পচিম কেনিবা লুকায়
এৰি আন্ধাৰত ধৰা।



ওপজে জোন পুবৰ পিনে,
পচিমত পায় লয়,
যিমানে চাপিব পচিমৰ কাষ
সিমানে জোনৰ ক্ষয়।
পুবৰ বনে ফুলায় ফুল,
পচিমে পেলায় জঁয়,
পুবে তুলি দিয়ে পৃথিবী জগাই
পচিমে শুৱাই থয় !
পুবে যতায় পচিমে খায়
প্ৰকৃতিৰ যত ধন,
পালেহি পচিম একোকে নোলটে
সকলো হয় ভগণ।
উদয় পুব অস্ত পচিম,
জনম মৰণ যেনে,—
জনম মৰণ যিমান আঁতৰ,
দুয়োত প্ৰভেদ তেনে।

শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা।

---

## অমৰ প্ৰকাশ।

( ৩ )

অমৰকোষৰ মূল শ্লোকবিলাক আজি প্ৰায় এহেজাৰ বছৰৰ আগৰে পৰা সুৰক্ষিত আৰু সুৰক্ষিত হৈ আছিছে ; দেৱনাগৰী আখৰৰ ইটোৰ লগত সিটোৰ সাদৃশ্য থকা বাবে ঠায়ে ঠায়ে দুটা এটা মতভেদ আছে মাথোন। এঠাইত এটা অদ্ভুত প্ৰভেদ দেখা যায়,—ক্ষীৰস্বামীৰ টীকাৰ "পাদ বন্ধনং" ঠাইত শুভূতিৰ টীকাত "যাদবং ধনং" আছে ! দেৱনাগৰী বৰ্ণমালাৰ "য" আৰু "প" টো দেখিবলৈ প্ৰায় একে। সেইদৰে হাতে লিখা পুথিবিলাকত "ব" আৰু "ৰ"ৰো ঠায়ে ঠায়ে বেমেজালি ঘটে আৰু প্ৰায়ে "বন্ধন"ৰ ঠাইত

"বং ধন" লিখা দেখা যায়। আকৌ, কোনো কোনো পুথিত পোৱা কিছুমান শ্লোক আন আন পুথিত পোৱা নাযায়। ইহাৰ কাৰণ হৈছে এই যে ক্ষীৰ স্বামীৰ টীকাৰ কিছুমান শ্লোক অমৰকোষৰ বুলি ভুল কৰি মূল শ্লোকৰ লগত আনি থোৱাহি হৈছে। ক্ষীৰস্বামীয়ে নিজৰ টীকাত প্ৰায়েই দুৰ্গ, কাত্য আৰু ভাগুৰিৰ টীকাৰপৰা শ্লোক উদ্ধৃত কৰি দিছে, কিন্তু কতো দুৰ্গ আদিৰ নাম উল্লেখ কৰা নাই। এনেকুৱা কিছুমান নাম নাইকিয়া শ্লোকক কোনো কোনো পণ্ডিতে অমৰকোষৰ মূল শ্লোকৰ লগত ঠাই দিছে। এই দৰে ভুলকৈ থোৱা শ্লোকবিলাক বাছি অনাৰ উপায় হৈছে, ক্ষীৰ স্বামীয়ে সেইবিলাকৰ ব্যাখ্যা কৰিছে নে নাই তাক চোৱা; নাই কৰা যদি সেইবিলাক অমৰসিংহৰ ৰচিত নহয়, দুৰ্গ আদিৰ। টীকাকাৰ ভানুজি ঠায়ে ঠায়ে এই ভ্ৰমত পৰিছে, কিন্তু বোম্বাই সংস্কৰণৰ অমৰকোষত এই শ্লোকবিলাক অমৰসিংহৰ নহয় বুলি উল্লিখিত হৈছে। টীকাকাৰ মুকুট, নয়নানন্দ আৰু মথুৰেশ এই বিষয়ত সম্পূৰ্ণ নিৰ্ভুল। তেওঁবিলাকে ভ্ৰমাত্মক শ্লোকখিনি একেবাৰেই উঠাই দিছে আৰু ইয়াৰ উপৰিও সন্দেহজনক শ্লোকবিলাক ভালাকৈ টুকি দিছে। ক্ষীৰস্বামীৰ টীকাৰ ২।৩ টা শ্লোক মুকুটৰ টীকাত পোৱা নাযায়, সেই দৰে মুকুট আৰু আন আন টীকাকাৰৰ টীকাত থকা কোনো কোনো শ্লোক ক্ষীৰস্বামী আদিৰ টীকাত পোৱা নাযায়।

অমৰকোষৰ শ্লোক সাধাৰণতঃ ষট্‌পদী আৰু দ্বিপদী ( আৰ্য্যা, অনুষ্টুপ্, প্ৰমাণী আদি ) ছন্দত ৰচিত। শ্লোকবিলাক একেলগে সজোৱা, বেলেগ বেলেগ বিষয়ৰ শ্লোকবিলাকো একেলগে সানমিহলিকৈ সজোৱা হৈছে, কিন্তু বিষয় অনুসৰি শ্লোকবোৰ অনায়াসে ভাগ ভাগ কৰিব পাৰি। কোনো কোনো পণ্ডিতৰ (৯) শ্লোকবিলাক চাৰি চৰণ চাৰি চৰণকৈ সজোৱা দেখা যায়, কিন্তু এনে কৰাত বিস্তৰ ভুল হৈ গৈছে।

(১) ঠায়ে ঠায়ে অৰ্দ্ধশ্লোক কিছুমান লেখৰ বাহিৰত থ'ব লগা হৈছে, যেনে, নৰকবৰ্গৰ শেষত, "স্যাৎ কষ্টং কৃচ্ছ্ৰমাভীলং ত্ৰিষেষাং ভেদ্যগামি যৎ"।

(৯) পণ্ডিত চিন্তামণি শাস্ত্ৰীয়ে এই ধৰণেৰে অমৰকোষ সম্পাদন কৰিছিল।



(২) আৰু কোনো কোনো ঠাইত এটা ছন্দৰ চৰণ আন এটা বিভিন্ন ছন্দৰ চৰণৰে সৈতে একেলগ কৰিব লগা হৈছে।

দ্বিতীয় পৰিচ্ছেদত "কাণ্ড" আৰু "বৰ্গ"ৰ বিষয়ে কৈ আহিছোঁ, এতিয়া শব্দবিন্যাস প্ৰণালীৰ বিষয়ে আলোচনা কৰা হ'ক। মোটামুটিকৈ কবলৈ গলে, অমৰকোষৰ শব্দাৱলী দুভাগত বিভক্ত, সমানাৰ্থ ( Synonymous ) আৰু অনেকাৰ্থ (Homonymous)। অনেকাৰ্থ ভাগ বেছি ডাঙৰ নহয়। সমানাৰ্থ ভাগত শব্দবিলাক বিষয় অনুসৰি "স্বৰ্গবৰ্গ" "পাতালবৰ্গ" আদি ওঠৰ বৰ্গত আৰু অনেকাৰ্থ ভাগত ("নানাৰ্থবৰ্গ" আৰু তাৰ অন্তৰ্গত অব্যয়নানাৰ্থ") অন্ত্যবৰ্গ অনুসাৰে বিভক্ত কৰা হৈছে, কিন্তু ছপা হৈ ওলোৱা প্ৰায়বিলাক সংস্কৰণতে এই দৰে ভাগ কৰা দেখা নাযায়, যদিও সংস্কৰণ-বিলাক পুৰণা পুথিত যি প্ৰণালীৰে ভাগ কৰা আছে অবিকল সেই দৰে প্ৰকাশ কৰাহে নিতান্ত বাঞ্ছনীয়।

"নানাৰ্থবৰ্গ"টো শব্দৰ অন্ত্যবৰ্গ অনুসৰি সজোৱা হৈছে আৰু পঢ়ি চালে দেখা যায় যে "গন্ধৰ্ব্ব", "দ্বিজিহ্ব" আৰু "পূৰ্ব্ব" এই শব্দ কেইটা "ৱান্ত" শব্দৰ লগত আৰু "কোষ" শব্দটো "ষান্ত" শব্দৰ লগত আছে। এই শব্দ কেইটা কোনো কোনো ঠাইত আন দৰে বৰ্ণবিন্যাস কৰা দেখা যায়, কিন্তু "অমৰকোষ" সম্পাদন কৰোঁতে শব্দবিলাক অমৰে যি দৰে বৰ্ণ বন্যাস কৰি গৈছে সেই দৰেই ৰখা উচিত। বোম্বাই সংস্কৰণত "কোষ" শব্দক "শান্ত" শব্দৰ লগত ঠাই দিয়া হৈছে, কিন্তু এনে সালসলনি কোনো পুৰণা পুথিয়ে অনুমোদন নকৰে। ক্ষীৰস্বামীয়ে "কোষ" এই বৰ্ণবিন্যাসকে গ্ৰহণ কৰিছে আৰু তেওঁৰ পূৰ্ব্ববৰ্ত্তী দুৰ্গই গ্ৰহণ কৰা "কোষ"ৰ ৰূপান্তৰ "কোশক" "শান্ত" শব্দৰ লগত ঠাই দিছে। কোনো কোনো সংস্কৰণত "কোশ"ক অমৰসিংহৰ মূল শ্লোকত থোৱা দেখা যায়, কিন্তু স্বৰূপতে "কোশ", এই বৰ্ণবিন্যাস অমৰসিংহৰ নাছিল; অমৰসিহৰ বৰ্ণবিন্যাস আছিল "কোষ"। ইয়াৰ প্ৰমাণ স্বৰূপে "নানাৰ্থবৰ্গ"ৰ অন্তৰ্গত "ষান্তবৰ্গ" আছে, ন পুৰণি সকলো পুথিতে "ষান্তবৰ্গ"ৰ মাজত "কোষ" বৰ্ত্তমান। ইয়াৰপৰাই অমৰৰ মূল শ্লোকত "কোশ"ক ভুলকৈ থোৱা হৈছে বুলি বুজিব পাৰি। এই বিষয়ে আৰু এটা প্ৰমাণ এই যে, "বৰ্দ্ধমানগণৰত্ন বৃত্তি"তো "অমৰসিংহস্তু কোষ ইত্যাহ", এই বুলি আছে।

"নানাৰ্থ" অব্যয়বিলাকো অন্ত্যবৰ্গ অনুসৰি সজোৱা হৈছে, যদিও ছপা হৈ ওলোৱা পুথিত এই প্ৰণালীৰে সজোৱা প্ৰায়ে দেখা নাযায়। পুৰুষোত্তমে তেখেতৰ "বৰ্গদেশনা"ত "নানাৰ্থ" অব্যয়বিলাক এই দৰে সজোৱাৰ কথা উল্লেখ কৰিছে আৰু এই বিষয়ে ৰঘুনাথ আদিয়েও যথেষ্ট আলোচনা কৰি গৈছে। "নানাৰ্থ অব্যয়" বৰ্গটো পঢ়িলে দেখা যায় যে, অমৰে "বা" লিখিছে, "বা" নহয়, আৰু কম্, কিম্, আসম্ আদি শব্দবিলাকক "মান্তৰ" লেখত থৈছে।

"লিঙ্গ সংগ্ৰহ বৰ্গ"ত স্ত্ৰীলিঙ্গ আৰু শব্দবিলাক পুংলিঙ্গ অন্ত্যবৰ্গ অনুসৰি সজোৱা হৈছে কিন্তু ঠায়ে ঠায়ে ছুটামান অমিল শব্দ পোৱা যায়, যেনে, (১) "সূচি" আৰু "পিচ্ছাৰ" মাজৰ "মাঢ়ি",

তিন্দুকী কণিকা ভঙ্গিঃ সুৰঙ্গা সূচিমাঢ়য়ঃ
পিচ্ছা বিতণ্ডাকাকিণ্যশ্চূৰ্ণিঃ শাণী দ্ৰুণী দৰৎ।

(২) "হোৰা" আৰু "সিধ্মলা"ৰ মাজৰ "লট্বা",

ঝল্লৰী চৰ্চ্চৰী পাৰী হোৰা লট্বা চ সিধ্মলা।
লাক্ষা লিক্ষা চ গণ্ডূষা গৃধ্ৰসী চমসী মসী॥

"মূলপাত্ত" আৰু "শব্দবিন্যাসপ্ৰকৰণৰ" কথা প্ৰবন্ধ সমাপ্ত।

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ।

---

# প্ৰতিধ্বনি।

Our echoes roll from soul to soul
And live for ever and for ever.

Tenneyson.

"বোপাই আছিল চোৰ, সেই পৰকিতি মোৰ।" বিজ্ঞানেও প্ৰমাণ কৰিছে Like acts and reacts upon like. একে জাতীয় বস্তুৰ ভিতৰত কাৰ্য্য কাৰণ হিসাপে যেনে সম্বন্ধ ঘটিব পাৰে আনৰ লগত তেনে ভাবে পাৰে নে? এটা জাতৰ বস্তু আন এটা জাতৰ বস্তুৰ লগত মিল হলে



প্ৰত্যেকেই নিজৰ নিজৰ জাতীয়ত্ব হেৰুৱায়। কেতিয়াবা আকৌ সম্বন্ধকে পাতিব নোৱাৰি অথ মহিষ ব্যাপাৰ হৈ পৰে। ধাতুৱে ধাতুৱে মিলিলেহে বন্ধুতা হয়। (বাহি জোৱা চাবৰ নো ইয়াৰ বাহিৰে কি অৰ্থ আছে? ধাতু মিলিবলৈ সামঞ্জস্য আছেনে নাই তাকেই যবাচনতে বিচাৰ কৰে বৈজ্ঞানিক উপায়ে।) বন্ধু মানে দুয়োৰে ভিতৰত থকা আবৰণ আঁতৰ কৰি এক হবলৈ বিচৰা চেষ্টাৰ Continuity. দুইয়ে দুইয়ে বন্ধুত্ব হব পাৰে, দুয়োৰে 'পৰকিতি' মিলি এক হব পাৰে, বেলেগ জাতৰ পানীয়ে আৰু দুইয়ে বন্ধুত্ব পাতিব নোৱাৰে, 'পৰকিতি' অমিল হয় যাবে; বৰঞ্চ শত্ৰুভাৱে এটাক ধ্বংস কৰি নিজক ৰক্ষা কৰিবলৈ হে চাব—তাত বাপেক-পুতেকৰ দৰে আদান প্ৰদান নচলে;—দেশ কাল চাব লগাত পৰে নতুবা 'ওলোটা বুজিলি ৰামৰ' দৰে হৈ পৰিব পাৰে? আমাৰ বোপাইৰ শক্তি অনন্ত কাৰণে আমিও তেনে হবলৈ বিচাৰোঁ। বিচৰাৰ এই আয়োজনেই জীৱন আৰু প্ৰতিধ্বনিতেই তাৰ বিকাশ। বোপাইৰে মোৰে 'পৰাকিতি' যদি একেই হয় তেন্তে বিচাৰিম কি? মোৰটো একোৰে অভাৱ নাই। তথাপি এতিয়া গাত চিকুত মাৰি চালে পাওঁ মোৰ গণ্ডী নিতান্ত সৰু হৈ পৰিছে,' তাত প্ৰতিধ্বনি উঠে যদি হে তাৰ আয়তন বঢ়াব নোৱাৰোঁ। আপোনাতে আপুনি মাৰ যাব যদি হে বোপাইৰ দৰে সৰ্ব্বব্যাপী হব নোৱাৰোঁ। সকলো আপোনাৰ কৰি লব নোৱাৰিলে কথা নিজে কম, কোঠাত বহি আৰু নিজেহে শুনিম। বহল ক্ষেত্ৰতহে প্ৰতিধ্বনি হব পাৰে। এই বাবেই বোধ কৰোঁ 'চুক ভেকুলি' হোৱা বেয়া বুলি আমি সৰু কালৰে পৰা জানি আহিছোঁ। থিয় দুপৰতো বোলে কুৱাৰ তলিত পোহৰ নপৰে।

আমাৰ স্বভাৱেই 'চুক-ভেকুলিৰ' বিৰুদ্ধে,—যেনে শিয়াল-কুকুৰ ভাল-বেয়াৰ কথাকে আলোচিব নেলাগে। আমি জগতত এটা কথা দেখিবলৈ পাওঁ যে সকলোৱেই প্ৰতিধ্বনি হবলৈ চেষ্টা কৰিছে। চুক-ভেকুলিৰ দৰে সামান্য গণ্ডীৰ ভিতৰত নিজৰ শক্তি আৱদ্ধ ৰাখিব কোনেও নোখোজে। নিজক জড় চেতন নিৰ্ব্বিশেষে সকলোৰে হৃদয়ত প্ৰতিধ্বনি কৰিবৰ বা হোৱা দেখিবৰ হলে আমি দ্বন্দাতীত ভূমিত থিয় হব লাগিব। নতুবা অসম্ভৱ; কিয়নো গছৰ আগে বগায় নে গুৰিয়ে বগায়? মূলীভূত কাৰণ

নোহোৱাকৈ ডাল পাত ফল-ফুলৰ বিচিত্ৰতা ৰৈ আছে কত? যি যিমানেই ষত্ন এৰিছে তেওঁ সিমানেই নিজৰ প্ৰভাৱ বিস্তাৰ কৰি আনৰ হিয়াত ঠাই পাইছে; তেওঁৰ কাৰ্য্যকলাপে আমাৰ হৃদয়-তন্ত্ৰী বজাইছে। আমি সাধু সন্ন্যাসী মানো কিয়? নে, তেওঁ চিত্ত-আকাশ নিজম কৰি, প্ৰতিধ্বনি বোল গভীৰ ৰৱে তুলিবৰ আয়োজন কৰি সকলোকে কৃতাৰ্থ কৰিছে। হাই উকমি থাকিলে আমি প্ৰতিধ্বনি উঠিলেও শুনো। ইয়াকে বোলে চকু থাকি খালত পৰা। বিহক সকলোৱে কালৰ বিৰুদ্ধে যুঁজ কৰে নিজৰ নিজত্ব ৰাখিবলৈ; নিজক সকলোৱে ভিতৰত প্ৰতিষ্ঠা কৰিবলৈ অহো-পুৰুষাৰ্থ কৰিছে, তাত দিন-ৰাতি ছেদ-ভেদ নাই। এই যে নিজৰ নিজত্ব (Personality) আনক অনুভৱ কৰাবৰ, নিজৰ পৰম্পৰা (Continuity) ৰক্ষা কৰিবৰ আয়োজন এয়ে প্ৰতিধ্বনি। সাগৰৰ বুকৰপৰা এচলু পানী হাতলৈ তুলি লৈ সেই পানী ওপৰলৈ ছাটি মাৰি দিলে আকৌ সাগৰতে পৰি তত্তালিতে মিলি নেযায়। সি মিলি যাবলৈ ভাল নেপায়। সেই কাৰণতেই কি নহওক সি পানীৰ ওপৰত সৰু বুৰবুৰণি উঠি নানা ৰঙত ৰঞ্জিত হৈ নানা ফালে বিয়পি পৰে। সৃষ্টিকৌশল ইয়াৰেপৰা বেছ দেখা যায়। নিজত্ব পাই ৰক্ষা কৰিবলৈ চোৱাটোৱেই প্ৰতিধ্বনি। আমাক কোনোৱে মান্য কৰিলে বা আমাৰ কথা মতে চলিলে আমি বৰ ৰং পাওঁ; কিন্তু মৰিবলৈ বৰ ভয় কৰোঁ। মোৰ কথামতে চলা মানে মোক অনুকৰণ কৰা—মোৰ প্ৰতিধ্বনি উঠা। মৃত্যু মানেই মোৰ শক্তিলোপ—তাত প্ৰতিধ্বনি উঠিব কত?

বহুত সময়ত কাৰ্য্য আৰু কাৰণৰ বিভিন্নতা বিকাশত মাত্ৰ দেখা যায়। দৰাচলতে দুয়ো একে। প্ৰতিধ্বনিৰূপ কাৰণে জড় যন্ত্ৰ অৱলম্বন কৰি কম্পন কাৰ্য্যৰে এটা বিকাশ যি ঘূৰি উৎপত্তি স্থলত আকৌ কম্পন ৰূপে আঘাত কৰি নিজৰ অস্তিত্ব প্ৰমাণ কৰে। মনোৰাজ্যত ইয়াৰ খেলা দেখিবলৈ পোৱা যায়। আমি তাৰ প্ৰমাণ নিতৌ পাই আছোঁ। যেনে এটা দুৰ্ঘটনা বা শুভ ঘটিবৰ হলে মনে পূৰ্ব্বেই গম পাই আমাক জাননী দিয়ে, কিন্তু দুৰ্ভাগ্যবশতঃ মন নকৰোঁ কাৰণে আমি তাৰ গমকে নেপাওঁ। প্ৰত্যেকে নিজৰ অতীত জীৱনলৈ অলপ চকু দিলেই এই কথাৰ সাৰ্থকতা



বুজিব। বিশেষ মানসিক জগৎ লৈ যি আলোচনাদি কৰিছে সিবিলাকেই ইয়াৰ মাতব্বৰ সাক্ষী।

প্ৰতিধ্বনিৰ মূল নিজক ভাল পোৱাৰ ওপৰত। নিজক ভাল নেপালে তাক ৰক্ষা কৰিবলৈ চেষ্টা কৰিম কিয়? আমি চেষ্টা কৰোঁ ভাল হবলৈ, বেয়া হবলৈ নহয়। গ্ৰীচ আৰু ৰোমৰ সাধু-কথাত (Legend) প্ৰতিধ্বনিৰ উৎপত্তি ভাল-পোৱা বুলি স্বীকাৰ কৰিছে। তাৰ গল্পটো চমুতে এই:— গ্ৰীচ নগৰিত "ইকো" (প্ৰতিধ্বনি) নামে এগৰাকী সুন্দৰী বনবাণী আছিল। তেওঁ "নাৰাচিচাচ" নামে এক সুন্দৰ কিন্তু কাঠচিতীয়া ডেকাৰ প্ৰেমত আবদ্ধ হয়। "নাৰাচিচাচে" কিন্তু "ইকোক" সমূলি ভাল নেপাইছিল। ইয়াতে ইকোৰ প্ৰাণত বৰ আঘাত লাগে। হতাশ হৈ ইকো ক্ৰমে খীণাই শুকাই যাবলৈ ধৰিলে। কিছু দিনৰ পিছত ইকোৰ শব্দৰ (প্ৰতিধ্বনিত ব্যাপাৰৰ) বাহিৰে বাকী একো নেথাকিল। স্থূলভাৱে নাৰাচিচাচক পাব নোৱাৰি বিৰহত জ্বলি "ইকো" সূক্ষ্ম শব্দত পৰিণত হল। সেই বনৰ বনদেৱীয়ে ইকোৰ এনে শোক-লগা ঘটনা দেখি দুখিত হৈ 'নাৰাচিচাচক' শাপ দিলে যে "সি নিজতে মুগ্ধ হৈ মৰা যাব।' তেতিয়াৰেপৰা "নাৰাচিচাচে" নিজক বেছিকৈ ভাল পাবলৈ ধৰিলে। শেহত এদিন পিয়াহত নৈত পানী খাবলৈ নামি পানীৰ তলত নিজৰ ছবি দেখি মুগ্ধ হৈ ধৰিবলৈ যাওঁতে দ পানীত পৰি মৰি থাকিল। ধন্য "ইকো" তোমাৰ প্ৰেম! তুমি নিজক ভাল পোৱা বুলিয়েই তাৰ প্ৰসাৰণৰ নিমিত্তে আন এটি অৱলম্বন আয়োজনত প্ৰতিধ্বনিত। আন কথাৰে তুমি নিজকে ধৰিবলৈ গৈ প্ৰতিধ্বনিত বা শব্দত পৰিণত হৈছা। বিশেষ আমাৰো প্ৰচলিত ভাগৱতত এটি অতি সুন্দৰ কথা আছে। শ্ৰীকৃষ্ণই এদিন সাজ-পাৰ কৰি ওলাই আহোঁতে দাপোণত হঠাৎ নিজৰ প্ৰতিবিম্ব দেখি মোহিত হৈ ৰাধিকাক শত ধন্যবাদ দি নিজেও সেইৰূপ ধ্যান কৰিবলৈ প্ৰতিশ্ৰুত হয়। বোধ কৰোঁ শ্ৰীচৈতন্য অৱতাৰত সেই বাসনা পূৰ্ণ কৰে। ইয়াত স্পষ্ট দেখা গল, নিজক ভাল পাই বুলিহে নিজে প্ৰতিধ্বনিত হল, অৰ্থাৎ দুৰচি লীলা কৰিলে। "ইকোৰ" অৱস্থাও তদ্ৰূপ! আৰু "নাৰাচিচাচ" তোমাৰে আমাৰে একে গতি। তুমিও শাপভ্ৰষ্ট আৰু

পতিত, আমিও তথৈবচ, নিজৰ কাৰ্য্যৰ দ্বাৰাই নিজে প্ৰতাৰিত। আমি যথাৰ্থভাৱে প্ৰতিধ্বনিত (আনক স্তম্ভিত বা মোহিত কৰি) হব নোৱাৰোঁ। নহৈও ৰক্ষা নাই। কবিয়ে সেই কাৰণে "ইকোক" সম্বোধন কৰি কয়:—

Sweet Echo sweetest nymph that livest unseen within thy airy shell
By slow Meanders margent green.
• • • • —
Sweet queen of harley daughter of the sphere
So mayest thou be translated to the skies
And give resounding grace to all Heaven's harmonies!
—Milton.

বৈজ্ঞানিক হিচাপে যেই কি নহওক কবিত্বভাৱে প্ৰতিধ্বনিত বেছ মাধুৰী আছে। এই মাধুৰী সদা আছে কাৰণেই আমাৰ প্ৰতিৰূপ বা আমাৰ নব বিকাশ বা projection সন্তানক ভাল পোৱা স্বাভাৱিক। এই মাধুৰী আছে বাবেই সৰু কালত (কিয় আজিও) আমি মুকলি পথাৰত থিয় দি দূৰ নীল আকাশৰ গাত উঠা প্ৰতিধ্বনিৰে কথা পতা মনত পৰিলে কত আনন্দ পাওঁ আৰু এই একেটা কাৰণৰ নিমিত্তেই সৰু কালত (বহুত সময়ত আজিও) নিজ নিজ ছঁয়াৰে ধেমালি কৰি হাঁহিত বাগৰি পৰা বা কিবা যেন এটা সোৱাদ পোৱা খুব ভালকৈ মনত আছে। পুখুৰী বা নৈৰ পানীত নিজৰ ছাঁ চাই অঙ্গি-ভঙ্গি কৰি ধেমালিত মতলীয়া হৈ ভাগ্যবশতঃ কেতিয়াবা পিঠিত চাপৰৰ চেৰ্‌চেৰণি মাৰ যোৱা কথাটো পাহৰিম কেনেকৈ? এনে ব্যৱহাৰৰ মূল তথ্য এয়ে যে আমি আমাৰ বিস্তৃতি বিচাৰোঁ। যেনে ভাবেই নহওক তাৰ অলপ আভাস পালেই আমি তৃপ্ত হওঁ। যেনে ভাবেই নহওক আমাৰ বিস্তৃতি দেখি জড় জগতত পৰ্য্যন্ত আমি মতলীয়া নহৈ পাৰোঁ নে? আমাৰ মূল লক্ষ্য কি? নিজক সঙ্কোচ কৰা নহয়, বিস্তাৰ কৰাহে। নিজক সঙ্কোচ কৰা মানেই শক্তিহীনতা আৰু তাৰ অৰ্থ হল মৃত্যু। শক্তিৰ খেলা বিকাশ; বিকাশ হীন সঙ্কোচেই হল মৃত্যু। নিজক বিস্তাৰ কৰা মানেই সকলোতে নিজৰ স্ফুৰণ দেখা। স্বপ্ন বিকাশ চোৱাই আমাৰ গতি। তেতিয়া আমি মুক্ত হব পাৰোঁ। আমাৰ অন্তৰত থকা শক্তিৰ বিকাশ শব্দ (ব্ৰহ্ম) ওলাই আহি গোটেই আকাশত বিয়পি পৰি শেহত আঘাত পাই "পকা মইৰ" দৰে প্ৰতিধ্বনিত হয়। মহৎ শক্তিৰ সমষ্টি মই নেপালে কেতিয়াও মোৰ স্ফুৰণ সকলোতে দেখিবলৈ নেপাওঁ তাৰ প্ৰমাণ প্ৰতিধ্বনি মূল শব্দতকৈ বহু গুণে ডাঙৰ। এই খিনিত এইটো বুজা উচিত যে মোৰ প্ৰাণ আছে যেতিয়া মোৰ স্ফুৰণসম্পন্ন বাহিক জগততো প্ৰাণ দেখিবলৈ পাম। এই অৱস্থাটোৱে বিশ্ব প্ৰাণময় দেখে। ই বৰ শকত অৱস্থা। ইয়াত যথেষ্ট শক্তি লাগে। ইয়াকে যথাৰ্থ active অৱস্থা বোলে, যৰপৰা জগতক আশীৰ্ব্বাদ কৰিব পাৰে। তাৰ পূৰ্ব্বে হল যথাৰ্থ Passive অৱস্থা, জগতৰ ওচৰত তেওঁ নিজে আশীৰ্ব্বাদ ভিক্ষাৰী। Activity দাতা কাৰণেই is life য়া জীৱিত, passivity গৃহীতা যথাৰ্থ জীৱনশূন্য!! আহা এই প্ৰাণময় দেখা অৱস্থাটো আনন্দ নে শান্তি!! প্ৰতিধ্বনিৰ মাহাত্ম ইয়াতকৈ বহুত আৰু কি? জীৱনৰ উদ্দেশ্য ইয়েই নহয় জানো!? আনন্দ কত?

প্ৰতিধ্বনিও মাধুৰী সত্য। সত্যই সুন্দৰ আৰু মঙ্গলপ্ৰদ। সত্যতে সকলো প্ৰতিষ্ঠিত। সত্যই সকলোৰে লক্ষ্য। সকলোৰে আৰম্ভ আৰু শেষ সত্যত, ই সৰ্ব্বংসহা। সত্যত বিৰোধ ভাব নাই; সি একমুখী বৃত্তি, জগতৰ গতি এই সত্যকে ধিয়াই। এই এক মাত্ৰ সত্যকে নানাজনে নানাভাৱে ধৰি আছে। ইয়াৰ ভিতৰত কোনোৱে হয়তো জানি সত্যক আহ্বান কৰিছে, আৰু যি নেজানে সিও ইয়াৰ চাৰি সীমাৰ ভিতৰতে আছে। সত্য নধৰি ধৰিবৰ স্থান ধুটা নাই। কিয়নো, সত্যই স্থিৰ আৰু শান্ত; বাকী সকলোৰে পৰিবৰ্ত্তন বা বিৰোধভাৱ আছে। যি এই সত্যৰ নিমিত্তে প্ৰাণ একেবাৰে সঁপি দিব পাৰিছে তেৱেঁই ধন্য। শ্ৰীশ্ৰীৰামকৃষ্ণ দেৱেও কৈ গৈছে "সত্যই কলিত একমাত্ৰ তপস্যা।" সত্য পূজাৰিৰ শক্তি যথেষ্ট। তেৱেঁই যথাৰ্থ কৰ্ম্মবীৰ। তেৱেঁই ভাৱ-জগৎ পৰিচালক। তেওঁ বিৰোধবিবৰ্হিত সত্য স্থলৰপৰা যি বাণী জগতক শুনাই যায়, যি শিক্ষা দি জগতক সৎপথাবলম্বী কৰে তাৰ প্ৰতিধ্বনি মানৱ হৃদয়ত চিৰকাল

হৈয়ে থাকে। আচৰিত, অৱনতিৰ সময়তো সেই বাক্য কত যতনেৰে আকোঁৱালি ধৰি থাকে! সি যে নিজ মানস-পুত্ৰৰ মধুৰ আৰু "অমৃতং বালভাষণং।" যুগ যুগ পাৰ হৈ গ'ল, বেদবাণী এতিয়াও আছে। শ্ৰীকৃষ্ণৰ গীতা, যীশুৰ বাইবেল, মহম্মদৰ কোৰাণ এতিয়াও পূজিত, আদৃত। এতিয়াও কতজনক সেই প্ৰতিধ্বনিয়ে অনুপ্ৰাণিত কৰিছে। সত্য মূলত নথাকিলে কোনো প্ৰতিধ্বনিয়েই স্থায়ী আৰু কাৰ্য্যকৰী হব নোৱাৰে। আন কথাৰে, প্ৰতিধ্বনিয়েই মুঠে যত সত্যৰ অলপ আভাস—পৰ্য্যন্ত নাই। সত্যই যথাৰ্থ প্ৰাণ, প্ৰাণেই জীৱনৰ বিকাশ। কাৰ্য্যকাৰিতাই জীৱন বা কাৰ্য্যক্ষম অৱস্থাই (activity) জীৱন। মহৎ শক্তিও বিকাশ হয় ইয়াৰেপৰা। যত শক্তিৰ বিকাশ বা জীৱন নাই তত এই অমূল্য বাণী বিলাকো ভোটা হৈ যায়, প্ৰতিধ্বনি হবৰ সুচল নেপায়। ননান বিক্ষিপ্ত-তাৰ ভিতৰত থাকিলে প্ৰতিধ্বনি কত উঠে, কোন কলৈ যায়, কত মাৰ যায় একো জানিব নোৱাৰি। চিদাকাশত পূৰ্ণ চন্দ্ৰ উদয় হোৱা দেখা যায় যেতিয়া বিক্ষিপ্ত ভাব নথাকে। তেওঁৰ আহ্বান আমি শুনিবলৈ পাম কেনেকৈ যদি আমি সাৰে নথাকো? তেওঁ কোন সময়ত কাৰ ওচৰলৈ আহে ঠিক নথাকে কাৰণে আমি সদায় সজাগ থাকিব লাগে। যেতিয়াই আহক আমি যেন তেওঁৰ সম্বোধনৰ প্ৰতিবাণী দিব পাৰোঁ। নতুবা তেওঁ ক্ষুণ্ণ মনেৰে উলটি যাব লাগিব যে। আমাৰ কাম মাত্ৰ সজাগ থকা, আহিলেই বৰণ কৰা,—আন কাম আমাৰ নাই; কিয়নো তেওঁৱেই সকলো কৰিছে; আমাৰ অস্তিত্ব "নিমিত্ত মাত্ৰম্"। এই সজাগে থাকিবৰ আগে—সাধনা আৰু এই সাধনাৰ আৱশ্যকতা দেখা যায় প্ৰতিধ্বনিৰ কাৰণে। যাতে তেওঁৰ কথা আমি শুনিবলৈ পাওঁ, হিয়াই প্ৰেমময়ৰ কাঙ্ক্ষিত বাণীৰ সান্নিধান দিব আপ্লুত হৈ। সেই কাৰণেই যাৰ হিয়া সজাগ নথাকে, স্থিৰ নথাকে, তাত প্ৰতিধ্বনি উঠিব নোৱাৰে। ভক্তই গায়:—

"আৰ ঘুমায়ো না মন।
মায়াঘোৰে কত দিন ৰবে অচেতন।
কে তুমি কি হেতু এলে, আপনাৰে ভুলে গেলে
চাহৰে নয়ন মেলে, ত্যজ কুস্বপন॥"



অচেতন থাকিলে জগতত নচলে। অচল বস্তুৰে আমি গম নেপাম। মৃতৰ বোজাৰ ভাৰ বওঁতেই জীৱন যাব। মাধুৰী নেপাম যদিহে চকু মেলি চাবৰ আয়োজন নকৰোঁ। মুঠ কথা, জীৱন-শক্তি নহলে প্ৰতিধ্বনি উঠিব কত? মৃত অৱস্থাত তাৰ বিকাশ হব পাৰে নে? ছুলেও গা ধুব লাগে। আমি অপবিত্ৰ অৱস্থাত থাকোঁ মানে মৰা সেই অমৃত বাণী যদি হিয়াত প্ৰবেশ কৰে, হিয়াত প্ৰতিধ্বনি উঠি যদি হেতু বিচাৰে, যদি বাহিৰে ভিতৰে প্ৰাণময় দেখে তেতিয়াহে প্ৰাণ পাব, পবিত্ৰ হব পাৰিব।

জীৱন যুক্তিমূলক (rational) অভিজ্ঞতাৰ সমষ্টি আমি গছ, লতা, নই, পৰ্ব্বত, বন, জীৱ জন্তু দেখিছোঁ, ফুলৰ সুঘ্ৰাণ, ফলৰ সুস্বাদ পাইছোঁ, গীত শুনিছোঁ আৰু কত কি বাহ্যিক জগতে দিছে। জীৱনৰ প্ৰথম অৱস্থাৰপৰা পোৱা যাৱতীয় অভিজ্ঞতা আমাৰ মনত নথাকে। আমি আটাইবিলাক কথা মনত ৰাখিবলৈ যত্ন নকৰোঁ। কিন্তু এনে কিছুমান ঘটনা ঘটে যিবিলাক আমি ইচ্ছা কৰিও পাহৰিব নোৱাৰোঁ। সদায় দেখি থকা বস্তু এটা হয়তো এদিন নতুন ভাৱে দেখা পালোঁ, দেখি যেন আনন্দত বিহ্বল হৈ পৰিলোঁ, বা এটি গীত শুনি তন্ময় হলোঁ। অথচ সেই গীতটি হয়তো এদিন শুনি তাত একো ৰসকে নেপাইছিলোঁ। ইয়াৰ কাৰণ কি? কিয় একেটা বস্তুৱেই বেলেগ বেলেগ ভাৱে দেখা দিয়ে? এদিন নৈ, গছ, জুই, পৰ্ব্বত মৰা দেখোঁ আৰু এদিন দেখোঁ তাৰ ভিতৰত যেন কিবা এটা আছে, নহলে সি সুশোভিত গছ হব নোৱাৰিলেহেঁতেন। জুইৰ ভিতৰত কিবা এটা শক্তি আছে নতুবা জুইয়ে পুৰিব নোৱাৰিলেহেঁতেন। ইয়াৰ মানে এয়ে যে যেতিয়া আমাৰ প্ৰাণ শক্তিৰ সহায়েৰে বিস্তাৰ কৰি আনৰ ভিতৰতো আৰোপ কৰোঁ তেতিয়াহে সেই বস্তুটো আমাৰ প্ৰাণৰ ওপৰত ধ্বনিত হব পাৰে, নতুবা নোৱাৰে; যিহেতু সি যে বেলেগ জাতীয় হৈ থাকে। একে-ৰাৰ কথাৰে কবৰ হলে, প্ৰাণযুক্ত বস্তুৱেহে আমাৰ প্ৰাণ স্পৰ্শ কৰিব পাৰে, এই প্ৰাণস্পৰ্শী ব্যাপাৰবিলাকহে আমাৰ মনত দৃঢ় ভাৱে থাকি যায়, বাকীবোৰ নথাকে। বাপেক পুতেকৰ মনান্তৰ হলে পুতেক ত্যাজ্য হৈ যায়।

সাধাৰণ এটা উদাহৰণৰপৰা আমি প্ৰতিধ্বনি মাহাত্ম্য বুজিবলৈ চেষ্টা কৰিবৰ মন কৰিছোঁ। নানা বিভাগ আৰু প্ৰত্যেক বিভাগত বেলেগ বেলেগ সুৰ লৈ এটি বাঁহী। বেলেগ বেলেগ সুৰত আকৌ বেলেগ বেলেগ ভাব। ভাবত আমি নাচোঁ। ভাব প্ৰকাশক শব্দসংযোগ কৰি গীত। এই গীত নিষ্ফল যদি ওপৰে ওপৰে গোৱা হয়। কিন্তু যদিহে তাত প্ৰাণ সনা থাকে তেন্তে সি আমাৰ অন্তৰতম প্ৰদেশৰ প্ৰাণত স্পৰ্শ কৰিব পাৰে। কবিয়ে বিশেষ বিশেষ কাৰণত জগতক নতুন দেখি নানা ভাব দি ৰঞ্জিত আৰু বিচিত্ৰ সৌন্দৰ্য্যবিশিষ্ট কৰি তোলে। যেনে এজনে দেখে জগতক "হসন্মুখীম্" আৰু এজনে দেখে "কৰাল বদনাম্ ঘোৰাং"। যিহক সিদিনা "বাঁহীত" কোমল সুৰত এফাকি প্ৰাণস্পৰ্শী গীত ধ্বনিত হৈছিল:— "ঈশ্বৰৰ বাহিৰে, ধৰ্ম্মৰ বাহিৰে মানুহৰ জীৱনত কি পাঠ্য (উদ্দেশ্য) আছে কব নোৱাৰোঁ।" এই কথা ফাঁকি নিশ্চয় প্ৰত্যেক হৃদয়ত প্ৰতিধ্বনিত হৈ কৃতাৰ্থ কৰিছে। আহা এনে কথা শুনিলে কাণ জুৰায়, প্ৰাণ শীতল হয়, হিয়াৰ ভিতৰত আনন্দ-উদ্বেলিত ঢৌ কাষৰত মাৰ গৈয়ে সি ক্ষান্ত হবলৈ ভাল নেপায়, তাৰ অস্তিত্বৰ এটা চিনাকি থব খুজিলেও পিছ ফালৰ মহা সমুদ্ৰৰ মহাকৰ্ষণ এৰাব নোৱাৰি দুটি নানা বৰণীয়া শিলগুটি বা ধুনীয়া শামুক এৰি থৈ সি যাত্ৰীক সন্তোষ দিয়ে। ই নিৰুৎসাহীক উৎসাহ দিয়ে, হতাশে আশা পায়, দুৰ্ব্বলীৰ প্ৰাণত বলৰ সঞ্চাৰ কৰে। কথা ফাঁকিৰ মৰ্ম্ম অতি গুৰুলা। ইয়াৰ সৌন্দৰ্য্য বিকাৰশূন্য, অৰ্থ শান্তিপ্ৰদ। মৰিবলৈ ভয় কৰে সকলোৱে। সেই মৃত্যু যেতিয়া ওচৰ চাপে, যেতিয়া জীয়াই থাকিবৰ আৰু আন কোনো উপায় দেখা নেযায় তেতিয়া যদি তেওঁক মৃত্যুঞ্জয়ে আহি এই দৰে কয়হি "তোৰ হতাশ আৰু ভয়ৰ কোনো কাৰণ নাই। জীৱনত যকাৰ দৰে মৰণতো মই আছোঁ। অধৈৰ্য্য হবৰ কোনো ফল নাই। ইঠাপৰা জীৱন মৰণ সকলো মিছা," তেন্তে তেওঁ অলপ আশ্বস্ত নহব নে? তেওঁ মনত বল নেপাব নে? মৃত্যু তেওঁৰ চকুত বিভীষিকাসম্পন্ন থাকিব নে? সেই দৰে প্ৰাণে এটা বস্তু বিচাৰি কণামুণাকৈ ফুৰি কতো তাক ধৰিব নোৱাৰি হতাশ হবৰ সময়ত যদি কোনোৱে বুজাই দিয়ে যে "তোৰ মহা-ভুল হৈছে। ই যি বিচাৰিছ সি তোৰ সকলো কামৰ ভিতৰতে আছে।



সিয়েই তোৰ বাহিৰ ভিতৰ পূৰ্ণ হৈ আছে। কাজেই তোৰ যাৱতীয় কাৰ্য্য কলাপ অনৰ্থক নহয়। সকলোৰে মূল্য আছে। সকলোঁ সচাঁ"; তেতিয়া তাৰ প্ৰাণত কি ভাব হব? তেওঁৰ প্ৰাণ শীতল নহৈ পাৰিবনে? দৰাচলতে যেই কি কথাই নহওক, যেই কি ভাবেই নহওক, সি ঈশ্বৰ বা ধৰ্ম্মৰ বাহিৰ নে? ধৰ্ম্ম বা ঈশ্বৰ ইমান সৰু নে যে সি আংশিক ভাবেহে সকলো আগুৰিব পাৰে? অনন্ত ব্যাপাৰত ধৰ্ম্ম অধৰ্ম্মৰ সুকীয়া ঠাই হব পাৰে কেনেকৈ? ইয়াকে দেখা যায় যে অধৰ্ম্ম বুলি এটা অস্তিত্বই নাই বিশ্বৰ সামান্য এটি ধূলি কণিকাও ধৰ্ম্মৰ বাহিৰ নহয়। ধৰ্ম্ম বায়ু এৰি কাৰ অস্তিত্ব সম্ভব? ধৰ্ম্মৰ বাহিৰ হব খোজা (গাৰ বলেৰে) বা তাক এৰি অস্তিত্ব আৰু বায়ু বিহীন হৈ জীয়াই থাকিবৰ কল্পনা কৰা একে কথা। তাৰ প্ৰমাণ প্ৰত্যেকৰে জাতিগত এটা ধৰ্ম্ম আছেই। যেনে জুইৰ ধৰ্ম্ম দাহ কৰা আৰু পোহৰ দিয়া। ইয়াত এইটো লক্ষ কৰা উচিত যে জুই পাবৰ উপায় আৰু তাৰ গুণত বহুলতা আছে কিন্তু বস্তু এটা। অধৰ্ম্ম বা ধৰ্ম্ম দুয়ো একেটাৰে বিজয় দুন্দুভি বজাইছে আৰু সেই একেটাই ঈশ্বৰ।

সহজক গাৰ বলেৰে নতুন, স্বাভাবিকক গাৰ বলেৰে অস্বাভাবিক কৰাই আমাৰ স্বভাৱ। বিচাৰ বুদ্ধিয়েই ইয়াৰ প্ৰধান অন্তৰায়। বিচাৰ বুদ্ধিৰে আমি আমাক বেছিকৈহে ঢাকি পেলাইছোঁ পোহৰৰ পৰা। বিচাৰ বুদ্ধি অস্ত্ৰই বিশ্লেষণ কৰি সৌন্দৰ্য্য নষ্ট কৰে। ইয়েই আমাক কৰ্তৃত্বাভিমান দি সৰ্ব্বনাশ কৰে। ইয়াৰ কাৰণেই জানো মই মানুহ, সি গৰু, সেইজোপা গছ, সেইটো ফুল ইত্যাদি। আমি এতিয়া তাৰ বলত ধৰ্ম্মবস্তুটোক, যি আমাক ধৰি আছে পবিত্ৰীন দৰে, অস্পৃশ্য "অপাঠ্য" অনুদ্দেশ্য, নতুন ভয়াবহ কৰি আঁতৰৰ পৰাই বিদায় দিবৰ আয়োজনত আছোঁ; পলেকলৈ ভাবি চোৱা নাই, ধৰ্ম্মৰ আশাশত, ধৰ্ম্মৰ বতাহত মোৰ অস্তিত্ব। গৰে বলেৰে এটা আঁক মাৰি যিটো অধৰ্ম্ম বুলিছোঁ সেইটোৱেই যে ধৰ্ম্ম। ধৰ্ম্ম বুলিলে আজি আমাৰ চকু কিছুমান আচাৰত পৰে আৰু সেইবিলাক চাই ভাবোঁ ইয়াৰ বাহিৰে যিবিলাক আছে সি ধৰ্ম্মৰ বাহিৰ,—অধৰ্ম্ম। আচাৰ বিচাৰে ধৰ্ম্ম বিষয়ত সহায়তা কৰিব পাৰে, সি নিজে ধৰ্ম্ম নহয়। ধৰ্ম্মৰ বাট আচাৰ হব পাৰে, সি ধৰ্ম্ম হব নোৱাৰে। আচাৰ আনুষ্ঠানিক ব্যাপাৰ তাত স্বাভাবিকতা

কম। আমি স্বাভাৱিক হেতু আমাৰ ধৰ্ম্মও স্বাভাৱিক হোৱাই উচিত। ধৰ্ম্মত অস্বাভাৱিকতা অশোভন। নানাৰূপবিশিষ্ট প্ৰতিমা হলেও প্ৰাণথকা প্ৰতিমাহে ধৰ্ম্মৰ বা পূজাৰ। জ্ঞানী Carlyle-এ প্ৰতিমা পূজা বিষয়ে কওঁতে কৈছিল। "All worship whatsoever must proceed by Symbols, by Idols:—we may say, all. Idolatry is comparative and the worst Idolatry is only more idolatry." যি হক কিছুমান ভুল ধাৰণা লৈ আমি ধৰ্ম্মক এটা কিম্ভুত কিমাকাৰ ব্যাপাৰ বুলি ভাবোঁ আৰু প্ৰত্যেকে মনত ধৰ্ম্মৰ এটা আদৰ্শ কল্পনা কৰি তাৰ লগত খাপ নোখোৱা কথাই বাহিৰ হৈ পৰিব লগাত পাৰে। যথাৰ্থতে সি আমাৰ প্ৰাণৰো প্ৰাণ প্ৰাণাৰাম লৈ কথা কাৰণে নিতান্ত আপোনাৰ, তাত পৰ ভাব নাই। জ্ঞানীয়ে আকুল প্ৰাণেৰে গাইছে :—

"তুমিহে উপায় তুমিহে উদ্দেশ্য,
তুমি স্ৰষ্টা পাতা তুমিহে উপাস্য,
তুমি শাস্ত্ৰবিধি গুৰু কল্পতৰু
অনন্ত সুখৰ আকৰ।"

অৰ্জ্জুনেও শ্ৰীকৃষ্ণক আৰু তেওঁৰে কৃপালব্ধ চকুৰে সামা বিশ্বৰূপ দৰ্শন কৰি স্তৱ কৰিছিল :—

ত্বমাদিদেবঃ পুৰুষঃ পুৰাণ
স্তমস্য বিশ্বস্য পৰং নিধানম্।
বেত্তাসি বেদ্যঞ্চ পৰঞ্চ ধাম
ত্বয়া ততং বিশ্বমনন্তৰূপ॥

যি তুমি আদিদেৱ সেই তুমিয়েই লয়স্থান, যি তুমি জ্ঞাতা সেই তুমিয়েই জ্ঞাতব্য। তোমাক তুমিয়েই জ্ঞাতব্য। তোমাকে তুমিয়েই জানা আনে নেজানে, কিয়নো তোমাৰ বাহিৰে জগতত আন একো নাই, তুমিয়েই বিশ্ব ব্যাপি আছা যেতিয়া কোনে কাক জানিব। শ্ৰীশ্ৰীৰামকৃষ্ণ দেৱে কবৰ দৰে লোণৰ পুতলাই সাগৰ জুখিবলৈ যোৱা অৱস্থা হয় নে। তোমাৰে পৰা শক্তি লৈ তোমাকেই আচৰণ কৰিছোঁ। তুমি নানা ৰূপ হৈ ধৰা দি এনে ভাৱে আছা যে আমি বুজকে পাব নোৱাৰোঁ। যাবতীয় শাস্ত্ৰ-বিধি তুমি, গুৰু ৰূপেও তুমিয়েই।



কিন্তু তোমাৰ কি মহিমাময়ী খেলা যে আমাৰ মোহান্ধ—

নয়নে দেখিব নাপায় তোমাক
আছা নয়নে নয়নে,
হৃদয় তোমাৰ নেজানে সন্ধান
আছা হৃদয়ত গোপনে।

বিশেষতঃ লক্ষ্য হেৰুৱাই দিনে ৰাতিয়ে মনে বাসনা তৃপ্তি কৰিবলৈ কাম্য বস্তুৰ পিছে পিছে লৰ ধৰাৰ কাৰণে একমাত্ৰ তেওঁ সপোনৰ বস্তু হৈ পৰিল। কিন্তু স্থিৰ চিত্তে ভাবি চালে দেখা যায়।

জানো তুমি আছা তাতে মই আছোঁ,
তুমি প্ৰাণময় তাতে মই বাচোঁ।
যত পাওঁ মানে তত আৰু যাচোঁ
যত জানো তত নাজানো।

আহা তোমাক যিমানেই জানো সিমানে নজনা হৈ পৰোঁ তুমি যে অনন্ত। লক্ষী আইৰ ভঁৰাল উদং হোৱা কল্পনা আমি কৰিব নোৱাৰোঁ। যিমানে তোমাক সীমাৰ ভিতৰলৈ আনিবৰ আয়োজন কৰোঁ সিমানে তোমাৰ আয়তন বাঢ়ি গৈ শেষত "মোক" পৰ্য্যন্ত বিলুপ্ত কৰি পেলোৱা। তোমাক বান্ধিবলৈ গৈ নিজে বান্ধ খাই মৰিব লগাত পৰে। ইয়েই অৱশ্যে মাধুৰী যদিচ অতৃপ্তিৰ সাঁচ অলপ বৰ্ত্তমান থাকে। এই কাৰণেই জগতত নানা আয়োজন তোমাক জানিবলৈ। বিজ্ঞান, দৰ্শন, সাহিত্য, গণিত, শিল্প, চিত্ৰবিদ্যা আদি যত চেষ্টা তোমাকে লক্ষ্য কৰি সি যেনে ভাবেই নহওক। সকলোৱে মূলত তোমাৰ খবৰ। বিশেষকৈ নানা ভাবৰ আয়োজন তোমাৰে শক্তিৰ বিকাশ। ভুলক্ৰমে কোনোৱে বিজ্ঞানক ধৰ্ম্ম বুলি তাতে লাগি আছে; কিয়নো ধৰ্ম্মই মানৱ জীৱনৰ কাৰ্য্য, যি যি ভাবেই নলওক। আকৌ কোনোৱে হয়তো দৰ্শনক ধৰ্ম্ম বুলি তাত প্ৰাণ ঢালি দিছে। এতিয়া বিজ্ঞান বা দৰ্শনত ধৰ্ম্ম অধৰ্ম্ম বৈ আছে নে? বৈজ্ঞানিকে দাৰ্শনিকক কোন যুক্তি মতে অধাৰ্ম্মিক বুলিব পাৰে? থন্তেক ভাবি চালে দেখা যায় যে সকলোৱেই সৃষ্টিৰ প্ৰাৰম্ভৰেপৰা নানা ভাৱে সেই একমাত্ৰ ভূমাৰে তথ্য আবিষ্কাৰ কৰিবলৈ নানা জনে কথা বান্ধি নানা বাট লৈ

আবহমান কাল যত্ন কৰি আহিছে। তাৰেই ফল দেখা হৈছে সাহিত্য, বিজ্ঞান, দৰ্শন আদি গ্ৰন্থত আৰু শিল্প আদি কাৰ্য্যত। আমি এতিয়া পূৰ্ব্বৰ কথা বাদ্ধি লোৱা কথাটো পাহৰি নিজৰ ভিতৰত বিৰোধ উলিয়াই নিজৰ বাহিৰে আনক ধৰ্ম্মৰ বাহিৰ কৰিব খুজিছোঁ। সেই কাৰণে সুধিব খোজোঁ, অমুক কাগজখন ধৰ্ম্মৰ, অমুকখন সি নহয়ৰ বোলা কথাষাৰৰ সাৰ্থকতা কত?

জগতত বিবেৰে কোনো আৰু একো থাকিব পৰা নাই। সকলোৱে যেন কিবা এটা বিচাৰি যাত্ৰা কৰিছে। কি বিচাৰিছে বিচাৰোঁতাই কব নোৱাৰে অথচ কিবা এটা নহলে কোনো সন্তুষ্ট থাকিব পৰা নাই। কলৈ যাব কি কৰিব তাৰো একো স্থিৰতা নাই। কলৈ যাব লাগে কব কোনে? সকলো যে অসম্পূৰ্ণতা ভেদ কৰিবলৈ উঠি পৰি লাগিয়েই আছে। এয়ে হব পাৰে যে যাৰ শক্তি বেছি তেওঁ সোনকালে যাব পাৰিছে, যাৰ কম তেওঁ সিমান যাব পৰা নাই। যি যিমান গৈছে তেওঁ সিমান ঠিক ঠিক পোহৰ পাই গৈ আছে। তেওঁৰ পক্ষে সেয়ে সত্য ধাৰণা হৈছে আৰু হোৱাও উচিত; নহবা ভাৱপ্ৰৱণতাৰ কাম হৈ পৰিব যে। এই হিচাপত মোৰ পক্ষে তেওঁৰ প্ৰাপ্ত সত্য অসত্য (ধাৰণা হিচাপত) হব পাৰে কিন্তু যথাৰ্থতে অসত্য নহয়। এই কাৰণত তেওঁৰে মোৰে কিবা বিৰোধ আছেনে, থাকিব পাৰেনে? তেওঁ যি বিচাৰিছে মযো তাকেই বিচাৰিছোঁ। দুয়োৰে স্বভাৱত অমিল নাই ভাৱত থাকিব পাৰে। তেন্তে মৰ্মাৰ্থত তেওঁৰ কাৰ্য্যকলাপেৰে সৈতে মোৰ বিৰোধ বা অমিল নাই। ভাৱ যেই কি নহওক সেই সত্যৰ বাহিৰ নে সি? যাৱতীয় ভাবৰে খনি তেওঁ, মূল তেওঁ। পাৰ্থক্য অভিব্যক্তিত থাকিব পাৰে। স্বামী বিবেকানন্দই কৈছিল যিবোৰ অসত্য যেন দেখা যায় সি সত্যৰে হীন-ডেড়ি মাত্ৰ. অসত্য জগতত নাই। We start from truth to truth and not from false to truth. অসত্য যদি জগতত নাই তেন্তে "অধৰ্ম্ম" "অধৰ্ম্ম" বুলি আমি যিপৰ চকুৰে (আমাৰ দেশত আকৌ ধৰ্ম্ম বিচৰাৰে সত্য বিচৰাৰে দোষৰ!! strange অৰ্থাৎ আচৰিত আৰু পুতৌ!!!) চাওঁ কি? আমি চকু মুদি হলেও ঠিক বাটতে আছোঁ। কিন্তু মানসিক দুৰ্ব্বলতাই সংস্কাৰ



বলত ভৰা ভাল বেয়াক আঁতৰ বা ভেদ কৰি আমাক চকু দিব নোৱাৰা কৰিছে। আমি কালী মূৰ্ত্তিক, কালী ভাবে চাব নোৱাৰোঁ; কোমল মাতৃভাৱ আৰোপ কৰিহে ওচৰ চাপিব পাৰোঁ। দয়াময়ী স্বৰুলিলে আমি পূজা কৰিব নোৱাৰোঁ। যাহক, আমাৰ আশ্বাস এয়ে তেখেতে যিটো ধৰ্ম্ম বুলি ভাবিছে সেইটো যি আমি যিটো ধৰ্ম্ম বা অধৰ্ম্ম বুলিছোঁ সেইটোও সেয়েই। মাত্ৰ ব্যৱহাৰত অলপ লৰচৰ হব পাৰে।

ব্যৱহাৰিক যি লৰচৰ সিও অতি সামান্য। জানিয়েই হওক বা নজনাকৈয়ে হওক প্ৰত্যেকেই একমাত্ৰ লক্ষ্য বস্তুলৈ যিয়াই খোজ লৈছে। অবশ্যে জনাৰ ভাত মাছ নজনাৰ গলগ্ৰহ হয়। জানি যাব পাৰিলে সোনকালে ওলাবগৈ পাৰি। সময় খতি নকৰি কেতিয়াবা আনৰ গেজেৰা খেৰেহা নোখোৱাকৈ সোঁ বাটে যাবৰ সুচল হয়। নেজানি যাবৰ হলে কণাৰ দৰে খপিয়াই জপিয়াই সময়ো লাগে অসুবিধাও হয়। মধ্যাকৰ্ষণ আবিষ্কাৰ হবৰ পূৰ্ব্বেও সি আছিল এতিয়াও আছে। এতিয়া জানি তথা নুকলি হল, আগেয়ে নেজানিলেও কাৰ্য্য ঘটি আছিল। এতিয়া জানি কিছুমান সুবিধা হৈছে আমাৰ সুখ স্বচ্ছন্দতা উলিয়াবলৈ, নজনাত সেয়ে নাছিল, যদিচ অভাৱ সৃষ্টি কম হৈ আমাক আনভাৱে উপকৃত কৰিছিল। অভিভাক্ত হৈয়ো আমাৰ অন্তৰ্নিহিত শক্তি বিকাশ কৰি আমাক পুলকিত আৰু সুপথগামী হবৰ সুবিধা দিছে। যি হক এইখিনিত আমি মন কৰা উচিত যে বহুধা নোহোৱাকৈ একত্ব বোধ কাল্পনিক মাত্ৰ। লীলা আছে নিত্য বা ভূমা আছে বুলি। An essence without appearance is a fiction of thought এজন দাৰ্শনিকৰ কথা। জগৎ ব্যাসৰ কেন্দ্ৰ কিবা আছেনে? ব্যাস কেন্দ্ৰ নোহোৱাকৈ সম্ভৱপৰ নে? গোলাপ ফুলৰ ৰংচঙীয়া কোমল পাহিবিলাক বৈ থাকিব পাৰে কিহৰ বলত? তিলোত্তমাৰ সৌন্দৰ্য্য কত নিহিত? সামাজিক গঠন আৰু তাৰ উন্নতি সম্ভৱ কেতিয়া? সমাজ বৈ আছে কিহৰ ওপৰত? তাত সাধাৰণ লক্ষ্য (common purpose) নহলে চলিব পাৰেনে? এই যে আৱশ্যকীয় Uunifying principle একীকৰণ নিয়ম ইয়াকে ধৰ্ম্ম বোলা যাব পাৰে—যি ধৰি আছে, যি নহলে

একোৰে অস্তিত্বই হব নোৱাৰে। সেই কাৰণ কৈছিলোঁ জগতত অধৰ্ম্ম নাই। তেন্তে ধৰ্ম্মই ধৰি আছে কিহেৰে?—ভাল পোৱাৰে। এই ভাল পোৱাৰ মূৰ্ত্তিয়েই হল ঈশ্বৰ। ভাল পোৱাত একত্বই চৰম-পৰিণতি; প্ৰথম অৱস্থাৰ আদান প্ৰদানে তাৰে পুষ্টি সাধন কৰে মাত্ৰ। কাজেই ধৰ্ম্ম বা ঈশ্বৰ দুয়ো একেটা কথা। এটা বাদ দি আনটো হব নোৱাৰে। "বাঁহীৰ" কথাষাৰৰ সাৰ্থকতা এতিয়া ভালকৈ বুজিব পৰা গৈছে। যিহক এই একীকৰণ নিয়ম লক্ষ্য কৰি যিহকে কৰা যায় সি কেতিয়াও ভুল হব নোৱাৰে। তাৰ বাহিৰ হব নোৱাৰে, Unity সকলোৰে পাৰ লাগিব, নেপাই তাৰ ৰক্ষা কত? তাৰ স্থৈৰ্য্য সম্ভৱপৰ নে বহুধাত? ফৰ্ম্মুটি মাৰি দিলে সি এঠাইত পৰিবগৈ লাগিবই—তাৰ আত্মানুভূতি থাককেই বা নেথাককেই। জানি হওক নজনাকৈ হওক সকলো সেই মহতো মহীয়ানৰ অন্তৰ্ভুক্ত। অনন্ত দয়াত ত্যাজ্য পুত্ৰ বিধি নাই, অধৰ্ম্ম নাই!!

বিচাৰশক্তি আছে বুলি মানুহ। নতুবা মানুহ আৰু ইতৰ প্ৰাণীৰ প্ৰভেদ কি? আৰু এই ইতৰ প্ৰাণীৰ বিচাৰ শক্তি মানে কি? ইয়েই দেশ, কাল, কাৰ্য্য কাৰণ আদিৰ সম্বন্ধানুভূতি কৰায়। এই সম্বন্ধ দেখুৱাই মানে চঞ্চলতা ভেদ কৰি শান্ত বস্তুৰ বিচাৰ কৰে, আমাক তাৰ আভাষ দিয়ে। মানুহে বিচাৰ শক্তিৰে নানাৰ ভিতৰত এক দেখিবলৈ পায় আৰু সেই শক্তিৰে এটা বস্তু সম্পৰ্কে ধাৰণা কৰে (concept)। এই ধাৰণা ভাষাৰে প্ৰকাশ কৰিবলৈ সহজ হয় কিয়নো তাত খেলি মেলি বাদ দি এটা স্থিৰ সমষ্টি ধৰে আৰু কাজেই নামকৰণ কৰা সম্ভৱপৰ হৈ পৰে। আন প্ৰাণীৰ বিচাৰ শক্তি নাই, জুখিয়াই লব নোৱাৰ বহুৰ, কাজেই বহুতে থাকে দেখে কাৰণে ভাষা প্ৰয়োগ অসম্ভৱ হয় বা সিহতৰ ভিতৰত নাই। মানুহ শব্দটো শুনিলে আমি দেখা মানুহবিলাকৰ চেহেৰা নুবুজোঁ। সকলোৰে ভিতৰত থকা একত্ববিলাকলৈ হে মন কৰোঁ। ইয়াৰেপৰা সহজে বুজা যায় যে আমি সদায় একত্বহে চাইছোঁ, বহুৰ চাব নোৱাৰোঁ, নেচাওঁ। এই যে একত্ব পৰিচায়ক বিচাৰ শক্তি ইয়াৰ পৰিণত স্ফুৰণ হল 'আত্ম' বিকাশত। বিচাৰ শক্তি আছে কাৰণে আমি আমাৰ আত্মাৰ গৰ পাওঁ আৰু ইয়াৰ কাৰণেই আমি আত্মা প্ৰতিপাদ্য বিষয় বুজিবৰ



সুচল পাওঁ। ইয়েই আমাক অনুভূতি কৰায়। প্ৰাণী জগতত আত্মানুভূতি নাই কাৰণে সিঁহতে একেদৰে চিৰকাল চলি আহিছে ঢৌৰ ওপৰত খেলি; আমি ঢৌৰ তলিত কি আছে বিচাৰ কৰিব পাৰোঁ, কৰি জানিব পাৰোঁ—সিঁহতে নোৱাৰে। এতিয়া স্পষ্ট বুজা গল যে একত্বৰ বাহিৰ ধৰ্ম্মৰ বাহিৰ আমি নহওঁ—আমাৰ সেই শক্তি আছে। চকু থাকি আমি কণা বুলি ভিক্ষা কৰিবলৈ ওলালে আমাৰ অৱস্থা কি কৰিব।

"বাঁহীৰ" কোমল সুৰৰ গীতটি সম্যকৰূপে বুজিবলৈ আমি অপাৰগ। আভাষ পাবলৈ কৰা আয়োজনতে কত ৰসৰ সমাবেশ! কব নোৱাৰোঁ। বিষজ্ঞনে ইয়াৰপৰা কত ৰস আস্বাদ কৰিছে। কথা ফাকিত আমি ওপৰত আলোচনা কৰা সকলো তথ্য নিহিত আছে। আমি দেখি আহিছোঁ যে সত্য ভূমিৰ ওপৰত থিয় নিদিলে আমি আমাৰ চিৰ বাঞ্ছিত প্ৰতিধ্বনিত হব নোৱাৰিম। এই সত্য ভূমিয়েই হল ধৰ্ম্ম বা unifying principle কথাষাৰে সকলোকে সাবাটি ধৰি যে কি মহত্ব প্ৰচাৰ কৰিছে বাকোৰে বুজুৱা মস্কিল। তাৰ মৰ্ম্মৰ আভাষ এই, তুমি যাক ধৰ্ম্ম বুলি ঘিণ কৰিছা বা অধৰ্ম্ম বুলি আদৰি ধৰি লৈছা সেই সকলো একতে বৰ্ত্তমান! সকলো একৰ ভিতৰত অৱস্থিত! পাঠ্যাপাঠ্য ভেদ কিহত? সকলো যে তেওঁৰে মৰ্ম্ম মুকলি কৰিবলৈ কৰা আয়োজন। খৃষ্টভাৱ, মুসলমানভাৱ, হিন্দুভাৱ আৰু তাৰ ভিতৰত থকা বৌদ্ধ আদি অগণন সম্প্ৰদায়ভাৱ সকলো একৰে মহিমা বা একেই সকলো। আজি আমি দুৰ্ব্বল কাৰণে সেই তথালৈ যেন যাব নোৱাৰোঁ, কিহে যেন বিপথগামী কৰি তাৰপৰা আঁতৰ কৰিছে। মলিয়ন কাৰণেই তেওঁৰ আহ্বান আমাৰ হিয়াত আজি নপশে। বীণাৰ তাঁৰত মামৰে ধৰিছে বাবে সেই সুৰ যেন নেবাজে, যদিচ বিশ্বত দিনে ৰাতিয়ে করুণ সুৰ কম্পিত বিকাশিত হৈ বিয়পি আছে। তথাপি আশা আছে তেওঁ কৃপাময়। মই আৰ্ত্তৰ হলেও তেওঁ যে সাবটি ধৰি আছে। তেওঁ যে অমৃত, মই মৰিব খুজিলেও তেওঁ হিয়া পাতি আগুলিব। মই মহাপাপী হলেও তেওঁৰ করুণা অপাৰ, তেওঁৰ কৃপা সূৰ্য্যৰ ৰশ্মিৰ দৰে মোৰ দুৱাৰত শত আঘাত কৰিছেহি। মই তথাপি নিশ্চেষ্ট, দুৱাৰ মুকলি কৰি দিয়া নাই। তথাপি যেন মোক তেওঁ সাবটি ধৰি

আছেই; আঁতৰি যোৱা নাই পশ্চিম আকাশ নেপায়হঁগে মানে। তেওঁ "অণোৰণীয়ান্" কাৰণে আমি স্থূল ভাৱত থাকিলে তেওঁৰ আহ্বান আমাৰ হিয়া পশিবহঁগে বা প্ৰতিধ্বনিত হবহঁগে নোৱাৰে; কিয়নো সেই আহ্বানৰ কম্পন স্বকৃত দুৰ্গম শৰীৰ-দুৰ্গ ভেদ কৰি যাব নোৱাৰে; সি দুৰ্গৰ গাত লাগিয়েই আকৌ বিমুখ হৈ উলটি আহে। তাতো তোমাৰ অপাৰ করুণাৰ মহিমা দেখা যায়। কাজেই আমাৰ দৃঢ় ধাৰণা, এই মহতী বাক্য বা গীতে নিশ্চয় যুগ যুগান্তৰ ধ্বনিত—প্ৰতিধ্বনিত হৈ সকলোকে আনন্দ দিব। যিহেতু

মৰাশ।

"সত্যমেৱ জয়তে নানৃতং।

—————

# তন্ত্ৰব্যাখ্যাৰ পৰিশিষ্ট।

প্ৰাচীন কল্‌ডিয়াৰ আৰু মিছৰৰ বুৰঞ্জী পঢ়িলে দেখা যায় যে খৃষ্ট জন্মৰ প্ৰায় ৬০০০।৭০০০ বছৰৰ পূৰ্ব্বে চিৰিয়া, মিছৰ, এচিৰিয়া, বেবিলিয়ন আৰু নিনেভ এই ৰাজ্যবিলাক বৰ প্ৰবল পৰাক্ৰমী আছিল। সেইবিলাক ৰাজ্য সেই যুগত এনে সভ্য আছিল যে তাক বুৰঞ্জী পঢ়ি চালে আচৰিত মানিব লগা হয়। চিৰিয়া ৰাজ্যৰ অনেক মানুহৰ আৰু ৰজাৰ নামৰ পিছত অসুৰ (Asshur) পদ লগোৱা পোৱা যায়। এই ৰাজ্যত অনেক প্ৰবল প্ৰতাপী অসুৰ ৰজাৰ ভিতৰৰ নাজিৰ পাল অসুৰ (Asshur Nazir Pai) আৰু বনপাল অসুৰ (Banapal Asshur) বা (সন্ধি লগালে) নাজিৰপালাসুৰ, বনপালাসুৰে অনেক দেশ জয় কৰিছিল। ইয়াৰ বাহিৰেও মিশ্ৰ বা মিছৰ দেশৰ ৰাজচক্ৰৱৰ্ত্তী দ্বিতীয় ৰামচিছিচে (Ramsis II) যাক সেই দিনত গ্ৰীক (Greek) বিলাকে চিচোষ্ট্ৰীছ (Sesostries) বুলিছিল, ভাৰতবৰ্ষ আক্ৰমণ কৰাৰ কথা মিছৰৰ পুৰাণত পোৱা যায়। দ্বিতীয় ৰামচিছিচে সত্য যুগত ভাৰত আক্ৰমণ কৰোঁতে তেওঁৰ অগণন সেনা ভাৰতৰ ক্ষত্ৰিয় সেনাৰ আগত টিকিব নোৱাৰি পলাইছিল। কিন্তু ৰামচিছিচে



হলে নিজে এনে গপ্প মৰা বুৰঞ্জীত দেখা যায় যে তেওঁ ৰথৰ ওপৰত উঠি অকলশৰে যুদ্ধ কৰি ৰণ জিকিলে। এইবিলাক কথা লৈ এনে অনুমান কৰিব পাৰি যে হিন্দু পুৰাণৰ মহিষাসুৰ, দুৰ্গাসুৰ (বোধ হয় দাৰায়ুশ) প্ৰভৃতিও ওপৰত কোৱা বিদেশী ৰাজা বীৰবিলাকেই হব পায়। বেবিলিয়নৰ মহাৰাণী ছেমিৰেমীয়ে ভাৰতৰ সত্য কি ত্ৰেতা যুগত এবাৰ আহি ভাৰতবৰ্ষ আক্ৰমণ কৰিছিল যে তাৰ ভুল নাই। ছেমিৰেমী ভাৰতৰ ক্ষত্ৰিয় সৈন্যৰ হাতত ভাল দৰে এসেকা পাই পৰাস্ত হৈ পলাই গল। অনেক বিদেশী বিজ্ঞ লোকে অনুমান কৰে সেই ছেমিৰেমীয়েই শ্যামা গোসাঁনী হৈ ভাৰতৰ বৰ্ত্তমান কলিযুগৰ দিনত অধঃপতিত মূৰ্খ (নাম মাত্ৰ আৰ্য্য) হিন্দুবিলাকৰ পূজা খাইছে। তিৰোতা হৈ ৰাক্ষসিনীৰ দৰে যুদ্ধ কৰা ছেমিৰেমীৰ আহিকেই প্ৰতিমা গঢ়ি হিন্দুৱে পূজা কৰা ভাব মাথোন। হিন্দু আৰ্য্যৰ সভ্যতাৰে সৈতে মিছৰ বা ইজিপ্ত দেশৰ, গ্ৰীক আৰু ৰোমৰ সভ্যতাৰে সৈতে অনেক মিল পোৱা যায়। কিন্তু হিন্দু আৰ্য্যবিলাকে ঋকবেদৰ সময়ত, মিছৰ, গ্ৰীক আৰু ৰোমৰ দেৱতাবিলাকক প্ৰতিমা গঢ়ি সেই সেই দেশৰ মানুহবিলাকৰ দৰে পূজা কৰাৰ প্ৰমাণ পোৱা নাযায়। হিন্দু আৰ্য্যবিলাকে প্ৰকৃতিৰ একো একোটা শক্তিক যথা অগ্নি, বায়ু, ইন্দ্ৰ, সোম, অশ্বিনীকুমাৰদ্বই আৰু শিনিবালি আদি দেৱতা বিলাকক প্ৰাৰ্থনা কৰি পূজা কৰা ঋকবেদত পোৱা যায়, কিন্তু সেইবিলাকৰ মূৰ্ত্তি গঢ়ি কোনো ঠাইত দেৱালয় (Shrine) পাতি পূজা কৰাৰ প্ৰমাণ পোৱা নাযায়। তেওঁবিলাকে মুঠতে যজ্ঞ (হোম) কৰি দেৱতাবিলাকক আহ্বান আৰু আৰাধনা কৰিছিল মাত্ৰ। মিছৰৰ মানুহে আৰু চিৰিয়াৰ অসুৰবিলাকে হলে দেখা যায়, শিল আৰু ধাতুৰ দেৱ দেৱী গঢ়ি বৰ্ত্তমান হিন্দুৰ তান্ত্ৰিক দেৱ দেৱী পূজা কৰিছিল আৰু সেইবিলাকৰ দেৱালয়ো ঠাইয়ে ঠাইয়ে পাতিছিল, আন কি তেওঁবিলাকে যুদ্ধৰ সময়তো দেৱ দেৱীৰ মূৰ্ত্তি লগত লৈ ফুৰিছিল। দেখা যায় অসুৰ বনপালে (Asshur Banapal) যেতিয়া দেশ জয় কৰিবলৈ ধৰি মিছৰ আদি জাতিবিলাকৰে সৈতে যুদ্ধ কৰি ফুৰিছিল তেতিয়া দেৱতাৰ মূৰ্ত্তি আমাৰ এতিয়াৰ কালৰ ফাগুৱাৰ গোসাঁই ফুৰোৱাৰ দৰে লগতে লৈ ফুৰিছিল। মিছৰ জাতি মানুহে

আইচিছ্ দেবী আৰু ওচিৰিয়ছ দেৱতা আদিৰ পূজা কৰিছিল। ওচিছ্ দেবী আমাৰ পাৰ্ব্বতী, ওচিৰিয়ছ দেৱতা আমাৰ মহাদেৱ, তেওঁৰ বাহন এপিছ আমাৰ মহাদেৱৰ বৃষভৰ দৰে এটি বাঁড় গৰু। ধুঁৱা আমাৰ তিনপতীয়া বেল পাতৰ দৰে পাতেৰে মিছৰ জাতিৰ মানুহে তেওঁক পূজা কৰিছিল আৰু মিছৰৰ মানুহেও গৰু পূজা মগৰ বা ঘৰিয়াল মেকুৰি আদি জন্তুবিলাক পূজা কৰিছিল আৰু সেইবিলাক জন্তু বধ কৰা পাপ বিবেচনা কৰিবাছিল। কিন্তু দেৱতাৰ আগত গৰু বলি আছিল। মিছৰ জাতি মানুহৰ সৰ্ব্বশক্তিমান দেৱতাৰ নাম ৰা (Ra) আছিল; তেওঁৱেই হিন্দুৰ শেহ সময়ত বিষ্ণুৰ দৰে সকলো দেৱতাৰ ওপৰত দেৱতা আৰু তেওঁৰ বাহন হিন্দুৰ বিষ্ণুৰ গৰুড় পক্ষী বাহনৰ দৰে ইগল পক্ষী বাহন আছিল।

ইয়াৰ বাহিৰেও মিছৰীবিলাকৰ দেৱতা Horus হৰচ্, Osis ওচিছ, Isis আইচিছ, অমু Imu, এমেন Amen আৰু Set চেট্ আছিল। মিছৰী (Egyiptian) বিলাকে অনেক ঈশ্বৰ মনা স্থলতো, আজিকালি দিনৰ আমাৰ ভাৰতবৰ্ষীয় হিন্দুবিলাকে দাৰ্শনিক আৰু বৈজ্ঞানিক ব্যাখ্যা কৰি দেখোৱাৰ দৰে, সিইঁতৰো তৰ্কচূড়ামণি, তৰ্কবাচস্পতি, ন্যায়ভূষণ, বেদান্তবাগীচ আদি পণ্ডিতবিলাকে সেই দিনত একোটি একোটি দেৱতাৰ গুণ ব্যাখ্যা কৰি সেই সকলোখিনিকে গোটাই এক ঈশ্বৰকেইহে ঠাৱৰ কৰিছিল। মিছৰ গ্ৰীক আৰু ৰোমান জাতিবিলাকে কামদেৱৰ (cupid) পূজা বৰকৈ কৰিছিল। মিছৰৰ পুৰাণত এনে কথাও পোৱা যায় যে বছেৰেকৰ ভিতৰত কামদেৱ গোসাঁইৰ দেৱালয়ত যি দিনা পৰ্ব্ব উৎসৱ হয় সেই দিনা সেই দেৱালয়ত নিলাজ নাচ গান কৰি ব্যভিচাৰ কাম কৰাত পুণ্য আৰ্জ্জোন কৰা বুলিহে বিবেচনা কৰা হৈছিল। পৰস্ত্ৰী পৰপুৰুষৰ লগত ব্যভিচাৰৰ যে দোষ নাইয়েই আন কি ৰজাৰ ৰাণীৰো দোষ নাছিল। মিছৰ জাতিয়ে বহু ঈশ্বৰক পূজা কৰিছিল, কিন্তু শেহত সেই দেশৰ বাদচাহ (Emperor) ষষ্ঠ এমেনহেটেপো, (Amenhotep VI) যি পিছত সূৰ্য্য মণ্ডল শোভন (Khun—aten the Splendour of the Sun disk) নাম লৈছিল। মিছৰৰপৰা বহু দেৱ দেবীৰ পূজা বন্ধ কৰি কেৱল সূৰ্য্য দেৱতাকেই এক সত্য ঈশ্বৰ ঠাৱৰাই আৰু তেওঁকেই বিশ্ব



ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্ত্তা মানি সকলোকে মনাবৰ চেষ্টা কৰিছিল। সূৰ্য্যক ঈশ্বৰ মনা আৰু সূৰ্য্যক পূজা নিয়ম বাইকৈ আৰ্য্য জাতিৰ ভিতৰতহে চলতি থকা প্ৰমাণ পোৱা যায়। বৰ্ত্তমান আৰ্য্য বংশৰ কোনো কোনো জাতিৰ ভিতৰতো সূৰ্য্য পূজা আৰু তাৰ আৰাধনা চলিয়েই আছে। "ভৰ্গোদেৱস্য ধীমহিধীয়ো য়োনঃ প্ৰসোদয়াৎ" এই সূৰ্য্য উপাসনা সম্ভৱতঃ শেহত ভাৰতৰ হিন্দু আৰ্য্যৰপৰা মিছৰ দেশত প্ৰবেশ কৰিছিল। মিছৰৰ সভ্যতা আৰু ভাৰতৰ হিন্দু আৰ্য্য জাতিৰ সভ্যতা এই দুইটিৰ ভিতৰত কোনটি আদি তাকে লৈ আজিকালি অনেক পণ্ডিতসকলৰ ভিতৰত তৰ্ক বিতৰ্ক চলি আছে, কিন্তু এই পৰ্য্যন্ত কোনটি জাতিৰ সভ্যতা আদি তাক কোনেও ঠিক কৰিব পৰা নাই। ঋক বেদৰ সৃষ্টি কোন সময়ত হৈছিল তাক আজিলৈকে কোনেও কব পৰা নাই। বেদ লিখি পুথিকৈ থোৱাৰ আগতে যে শ্ৰুতি ৰূপে অৰ্থাৎ শুনাত শুনাৰ দ্বাৰাই অগণন বছৰ বে মুখে মুখে আছিল তাৰ ভুল নাই। এই নিমিত্তে বেদৰ আন নাম শ্ৰুতি। বৰ্ত্তমান ভাৰতৰ হিন্দু আৰ্য্যবিলাকে গওপ মাৰি কয় যে তেওঁবিলাকহে আদি সভ্য জাতি, কিন্তু বৰ দুখৰ কথা তেওঁবিলাকৰ আগৰ দিনৰ কোনো বুৰঞ্জী নাই। পুৰাণ যিবিলাক আছে তাক নিৰপেক্ষ ভাৱে দেখিবলৈ গলে সাহ বিচাৰি উলিয়া টান সি বাহুৰেই ভৰা। মিছৰ দেশৰ বামচিছ বাদচাহে ভাৰতবৰ্ষ আক্ৰমণ কৰিছিল, তাৰ পিছত বেবিলিয়নৰ ৰাজ্ঞী শেমীৰেনীয়েও আৰু চেকেন্দৰ বাদচাহে যাক এলেক্জেণ্ডাৰ দি, গ্ৰেট বুলি ইংৰাজী ইতিহাসত পোৱা যায়, ভাৰতবৰ্ষৰ আক্ৰমণ আৰু দখল কৰিছিলহি, এনেবিলাক ঘটনাৰো একো উল্লেখ হিন্দুজাতিৰ বুৰঞ্জী বা পুৰাণত পোৱা নাযায়। অথচ মিছৰ গ্ৰীক আৰু ৰোমৰ মানুহ আহি পুৰণি দিনত ভাৰতবৰ্ষৰ তথ্য লৈ সেইবিলাক জাতিৰ বুৰঞ্জীত যিবিলাক কথা লিখা পোৱা যায় তাকেই হে যাথোন স্বৰূপ প্ৰমাণ বুলি ধৰিব পাৰি। এনেবিলাক কথা কৈ আধুনিক পিছ কালৰ বিজ্ঞ পণ্ডিতসকলে এনে কথা ঠাৱৰ কৰে যে ভাৰতবৰ্ষীয় মানুহে বুৰঞ্জী লিখা এটা অভ্যাসকেই নাৰাখিছিল। পিছ কালৰ পণ্ডিত সকলৰ অনেকে যি দৰে কথাৰ ধাৰ ধৰি ভাৰতবৰ্ষীয় হিন্দু আৰ্য্য জাতিৰ পুৰাণ ইতিহাস উবাই দিব খোজে সেই দৰে দেখিবলৈ গলে মিছৰকে আদি

কৰি অনেক পুৰাতন সভ্য জাতিৰ পুৰাণ ইতিহাসকো উৰাই দিয়া একো টান নহয়। হিন্দু পুৰাণবিলাক আন আন পুৰণি বলীয়া সভ্য জাতিৰ পুৰাণৰ দৰে যদিও বাহুৰে ভৰা তথাপি পৰিশ্ৰম কৰি ভাল দৰে বিচাৰি খোচাৰি উলিয়ালে তাতো সাহ ওলায়। ভাৰতৰ হিন্দু আৰ্য্য জাতিৰ পিতৃ পুৰুষ, চেমিটীক জাতিবিলাকৰ আৰু গ্ৰীক ৰোম চেল্টন প্ৰভৃতি জাতিবিলাকৰ একেই আছিল যে তাৰ ভূল নাই, কিয়নো সেইবিলাক জাতিৰ ভাষাৰে সৈতে এতিয়ালৈকে সংস্কৃত ভাষাৰ অনেক মিল পোৱা যায়। আন কি ভাৰতৰ হিন্দুৰে সৈতে পাৰ্চি, ৰোম, গ্ৰীক আদি জাতিৰ মানুহবিলাকৰ ধৰ্ম্ম আচাৰ ব্যৱহাৰো অতি পুৰণি কালত প্ৰায় গোটেই মিল আছিল। এই পৃথিবীত আজিলৈকে পণ্ডিতসকলে পাঁচোটি জাতিৰ বাস বুলি ঠাৱৰ কৰে যথা (১) ইৰাণ, আৰ্য্য, এৰিয়ান বা ককেচিয়ান, (২) এথিওপিয়ান বা দ্ৰেভিডিয়ান (৩) মঙ্গলিয়ান বা মঙ্গল (৪) মালেয়ান (৫) ৰেড ইণ্ডিয়ান বা ৰক্তবৰ্ণযুক্ত আমেৰিকাৰ আদিমবাসী। বাইবেল আদি যেই সেই ধৰ্ম্ম শাস্ত্ৰত পোৱা যায় যে পোনতে এজোৰ মুনিহ তিৰোতা মানুহৰপৰা পৃথিবীৰ যাৱতীয় মানুহ জাতিৰ সৃষ্টি হৈছে। আৰু ইয়াকো দেখা যায় যে বাইবেল শাস্ত্ৰই আজিলৈকে পৃথিবীৰ বয়স পাতনিৰ দিনৰে পৰা মুঠে ৬০০০ হাজাৰ বছৰ মাথোন ঠাৱৰ কৰে। এনে কথা বৰ্ত্তমানৰ অনেক পণ্ডিতে আৰু পুৰণি কালৰ হিন্দুৰ পণ্ডিতসকলে হলে নকয়, কাৰণ ই কেতিয়াও বিজ্ঞানসম্মত হব নোৱাৰে। আমেৰিকা দেশৰ ৰেড মানুহ ভাৰতৰ আৰু ইউৰুপৰ আৰ্য্যবিলাক, অষ্ট্ৰেলিয়া দ্বীপৰ আৰু আফ্ৰিকা দেশৰ ধুমকলা নিগ্ৰোবিলাক, ভাৰতৰ দ্ৰাবিৰিবিলাক একে বাপেক মাকৰ সন্তান সন্ততি বুলি কেনেকৈ স্বীকাৰ কৰিব পাৰি ?

ক্ৰমশঃ

শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্য ॥

---



# চমু মন্তব্য।

A manual of Proverbs—পটন্তৰৰ কিতাপ। প্ৰণেতা শ্ৰীযুত মহানন্দ বৰুৱা। ৬৩ পৃষ্ঠাৰে সম্পূৰ্ণ, বেচ এসিকি।

প্ৰথম ৩১ পিঠিত অসমীয়া পটন্তৰ আৰু তাৰ অনুৰূপ ইংৰাজী পটন্তৰ. বাকী কেইপিঠিত ইংৰাজী পটন্তৰ আৰু তাৰ অসমীয়া ব্যাখ্যা। বিচাৰিলে এই ইংৰাজী পটন্তৰবিলাকৰ কাষে কাষে যোৱা অসমীয়া পটন্তৰ পাবলৈ আছে। সেই গুণে কিতাপখন দুভাগ কৰাৰ বৰ আৱশ্যক নাই। অসমীয়া পটন্তৰৰ মাজত দুটি এটি অপৰিমাৰ্জ্জিত শব্দ ( slang words ) পোৱা যায়। লিখাত এইবিলাক শব্দ বাদ দিব পাৰিলে ভাল। মাজে মাজে ইংৰাজীলৈ ৰূপান্তৰিত কৰাতও দুটি এটি ভুল সোমাইছে। আশা কৰোঁ লিখকে দ্বিতীয় তাঙ্গৰণত এইবিলাকলৈ চকু দিব; বহুত পটন্তৰেও ঠাই নোপোৱাকৈ আছে, সেই বিলাকেও যেন ঠাই পায়।

বৰুৱা দেও ন লিখক। এতেকে তেওঁৰ উদ্যম শলাগিব লগীয়া। আশা কৰোঁ কিতাপখনিৰপৰা বহুতৰ উপকাৰ হব আৰু বৰুৱা দেৱেও ভবিষ্যতে সৰু কাম কৰিবলৈ উৎসাহ পাব। স্কুলীয়া ছাত্ৰসকলেও এই কিতাপখনিৰ পৰা উপকাৰ পাব বুলি আমাৰ বিশ্বাস।

সিন্ধুৰা।

২য় ভাগ অসমীয়া কৃষি বচন। ভাত-খেতি। শ্ৰীযুত নাৰায়ণ শৰ্ম্মা বৰুৱাৰ দ্বাৰাই প্ৰণীত। ২ বেচ দুধনা। এই কৃষিবচনবোৰ গ্ৰন্থকাৰৰ কৃষিত অভিজ্ঞতাৰ ফল। অসমীয়া মানুহে ফল ভোগ কৰি আসামত কৃষিৰ উন্নতি কৰক আমাৰ এয়ে আশা। গ্ৰন্থকাৰে তেওঁৰ গোটেইটো জীৱন পৱিত্ৰ কৃষিত উছৰ্গা কৰি আসামক ধন্য কৰিছে। আমি নিঃসন্দেহে কব পাৰোঁ। যে লোকৰ গোলামী ব্যৱসায়তকৈ তেওঁৰ কাৰ্য্য অনেক ওখত, আৰু তেওঁৰ হে প্ৰকৃত আৰ্য্যত্বৰ দাবি কৰিবৰ অধিকাৰ আছে।

---

# কিদিম উপায়।

[ ৰুক্মিণীৰ উদ্দেশ্যে কৃষ্ণ ]

সিযুৰত থাকা তুমি ইযুৰত মই,
মাজতে থাকক এই বহল সংসাৰ ;
মনৰ কথাটি ক'লে বায়ুত অপাৰ
ভাহি ভাহি আহি পাব পচিমত লয়।

পুৱাতে পোনতে কৰা সূৰ্য্য সাখী কৰি
স্বপ্নত যদিহে দেখা অমঙ্গল কিবা ;
কাণে কাণে কই যাব গধূলি বেলিকা,
কন্দুৱাই, কান্দি যাব বঙাচঙা পৰি।

সন্ধীয়া ফুলিলে ফুল কুণ্ডিলৰ দেশে,
হাঁহিব নাপাই এবা হমুনিয়া তাত,
সুগন্ধি পৱন হৈ লাগিলেহি গাত
প্ৰাণ পখী উৰি যায় তোমাৰ উদ্দেশে।

গধূলি যেতিয়া হলে ৰূপহী জোনাই
ভাবে মুখে চোৱা যদি অতীত আলচি,
ফুল ভ্ৰমে মুখ কোলে লব চুমা যাচি ;
—দেখাদেখি হব তেওঁৰ ইয়াৰে পৰাই।

আৰু বাৰু আছে কিবা কি দিম উপায় ?
সম্প্ৰতি সংসাৰ বান্ধে নিজে নিৰুপায় !

"আবৰ"!